চান্দমামা

অকটʼবাৰ ১৯৯২





চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

महत्वाकांक्षी विद्यार्थियों और उत्साही पुस्तक प्रेमियों के लिए केनरा बैंक की प्रेरणादायक योजनायें

शिक्षा के माध्यम से ज्ञान या पठन के माध्यम से ज्ञानोद्दीपन

केनरा बैंक की दो अनोखी एवं प्रगतिशील योजनाओं के माध्यम से ये दोनों आसानी से हासिल किये जा सकते हैं।

VIDYA SĀGAR

विद्या सागर: उच्चतर शिक्षा प्राप्त करने के लिए कठिन परिश्रम करने के इच्छुक प्रथम श्रेणी के विद्यार्थियों के लिए ऋण योजना। यह ऋण स्कूल/कालेज की फीज़, छात्रावास शुल्क, पाठ्य पुस्तकें, वर्दी से लेकर विदेशों में उच्चतर शिक्षा तक के सभी पहलुओं को प्रावरित करती है। ये ऋण विद्यार्थियों पूर्व/उत्तर स्नातकों और तकनीकी विद्यार्थियों के लिए उपलब्ध हैं।

ज्ञान गंगा: तरह-तरह के उपन्यास, व्यापार पुस्तिकायें, व्यावसायिक पुस्तिकायें, एनसाइक्लोपीडिया... वैसे, पाठ्य पुस्तकों को छोड़कर कोई भी पुस्तक अधिग्रहीत करने का सुगम मार्ग ढूँढनेवाले किसी भी व्यक्ति के लिए कम से कम एक साल जो केनरा बैंक का खातेदार रहा हो उसे 1000 रु. से लेकर 5000 रु. तक का ऋण उपलब्ध होगा।

JNANA GANGA

इस असामान्य अवसर का फायदा उठायें। अपने विचार धारा को विस्तृत करके ज्ञानरूपी क्षितिज को बढ़ायें। केनरा बैंक आपकी पूरी मदद करता है।

प्रगतिशील और नवोन्मेषकारी केनरा बैंक ने 1991-92 के दौरान असरदार कार्यनिष्पादन दर्ज किया। इन आंकडों पर एक नज़र डालें।

स्वायत्त निधियाँ	–	रु. 779 करोड़
प्रारक्षितियाँ	–	रु. 665 करोड़
निवल लाभ	–	रु. 157 करोड़
लाभांश दर	–	22%
जमाराशियाँ	–	रु. 14238 करोड़
अग्रिम	–	रु. 8000 करोड़
जमा खातों की संख्या	–	22.6 मिलियन

केनरा बैंक

(भारत सरकार का उपक्रम)

प्रधान कार्यालय, जे.सी. रोड, बेंगलूर-560 002

हमेशा एक कदम आगे और हमेशा आपके साथ

R K SWAMY/BBDO CB 6027 HIN

পোলিঅ'প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দ্বিব লাগিব
জন্মৰলগেলগে	**বি চি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিচ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন
জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণ-কৈ দিব লাগিব।			





গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

MAGGI CLUBBERS FUN LOVERS
MAGGI CLUB
'মেগী স্কাই ক্ৰেজাৰত' ভাবৰ
চেৰাই উৰা মাৰা।
'মেগী জিগছ' পাজল'-ৰে মেগীৰ
ৰোমাঞ্চক জগত জয় কৰা।
'মেগী হু-ডান-ইট'
ৰহস্যময় গেম
'মেগী এ'চ্ এডভেঞ্চাৰ' গেমত
সাগৰৰ পৰা আকাশলৈ যোৱাৰ
ৰোমাঞ্চ অনুভৱ কৰা।
অকণ-অকণিহঁতৰ বাবে
ৰোমাঞ্চক আকৰ্ষণ!
মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে!
'মেগী ৰেইডাৰ্ছ অৱ দা ৰেড ষ্টাৰ'
গেমত অজান মুলুকৰ ধূৰ্ত সকলৰ
লগত সমানে ফেৰ মাৰা।
Name:
Membership no.:
অকণ অকণিহঁত আহঁ! মেগী ক্লাবত যোগ দিয়া আৰু
প্ৰৱেশ কৰা মেগীৰ ৰোমাঞ্চক জগতখনত!
তোমালোকে কেৱল এই MAGGI চিহ্নটো মেগী নুডলছৰ
৫ টকীয়া খালি পেকেটৰ সমুখ ফালৰ পৰা কাটি উলিওৱা
আৰু নিজৰ পচন্দৰ প্ৰতিটো বিনামূলীয়া উপহাৰ পাবৰ
বাবে আমালৈ পঠাই দিয়া। তোমালোকে ৬-৮ সপ্তাহৰ
ভিতৰতে মেগী ক্লাবৰ পৰা পাবা মনোমোহা উপহাৰ।
কি উপহাৰ লাগে সেই কথাৰ লগতে নিজৰ নাম, ঠিকনা
আৰু জন্মৰ তাৰিখ জনাবলৈ নাপাহৰিবা। তোমালোকৰ
মাজৰ মেগী ক্লাব সদস্য সকলে সদস্য নম্বৰো জনাবা।
এতিয়াও সদস্য নোহোৱা সকলে এইটো সুযোগ
নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা মতে বিতং বিৱৰণবোৰ
পঠাওতে সদস্যতা কাৰ্ড বিচাৰি লিখিবা।
আমি উপহাৰৰ লগতে বিনামূলীয়াকৈ মেগী ক্লাব
সদস্যতা কাৰ্ড পঠাই দিম।
আমাৰ ঠিকনা:
MAGGI CLUB
P.O. Box 5788 New Delhi-110 055
বিনামূল্যে মেগী
'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ পুস্তিকা।
তোমালোকে গোটোৱা প্ৰতি ২ টকীয়া উপহাৰৰ
বাবদ পাবা মেগী 'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ
পুস্তিকা — বিনামূল্যে।
MAGGI 2-Minute noodles
FAST TO COOK! GOOD TO EAT!
আৰু এটা কথা! তোমালোকে যদি মেগী বাৰ্ডহাউছ এতিয়াও গোটোৱা নাই তেনেহলে এতিয়া গোটোৱা।
HTA 7778ASS

GET OFF TO A FLYING START *with*



LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.



LION *Gee-flo®* BALLPENS
035 carbine 050 carborite

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.



LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON & HEDGES WORLD CUP 1992

OFFICIAL LICENSEE OF THE WORLD CUP

National-766

CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক ঃ চক্রপাণি   সঞ্চালক ঃ বি নাগিৰেড্ডি

কিয় যুদ্ধ অবিৰাম

'যিকোনো মৰমিয়াল মানুহেই হত্যালৈ ঘৃণা প্ৰদৰ্শন কৰিব। হত্যাৰ কোনো প্ৰয়োজন তেওঁৰ কদাপি নহ'ব। আৰু তেওঁ কদাপি কাকো হত্যা নকৰিব।'

প্ৰায় ৭৫ বছৰৰ আগতে মহাত্মা গান্ধীয়ে এই মন্তব্য কৰিছিল এগৰাকী ভাৰতীয়ৰ ইংৰাজ পত্নী ইছথাৰ মেননৰ ওচৰত।

তেতিয়া প্ৰথম বিশ্বযুদ্ধ চলি আছিল আৰু মোহনদাস কৰমচাঁদ গান্ধীয়ে শ্বেত-সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আফ্ৰিকাত যুঁজি আছিল। তাৰ পাছত তেওঁ গুজৰাটলৈ উভতি আহি ভাৰতত বৃটিছে চলাই থকা অত্যাচাৰী শাসনৰ বিৰোধী মন্তব্যত কৈছিল যে—আনকি সাপ এটালৈকো যদি মানুহ এজনে মৰম দেখুৱাব পাৰে, তেওঁ আৰু সাপক ভয় নকৰিব, বা সাপটোৱেও তেওঁক খুখুটিব। তেওঁ কৈছিল ঃ 'এদিন নহয় এদিন পৃথিৱীৰ সকলোটিয়েই এনে অৱস্থা পাবহি লাগিব। সমগ্ৰ জাতিয়ে অৱশ্যে এই অৱস্থাৰ গৌৰৱ পোৱা হয়তো সম্ভৱ নহ'বও পাৰে। সেইহে—সাম্যৰ সেন্দুৰীয়া আলি ঢুকি পাবলৈ সদায়েই আনাকি নিজৰ আত্মাৰ সৈতেও যুঁজিব লাগিব। সাম্যৰ তথা প্ৰগতিৰ যুঁজৰ কোনো শেষ নাই।

গান্ধীজীৰ মন্তব্য আজিও কিমান যে সঠিক আৰু সত্য! ধনিক আৰু নিৰ্ধনৰ মাজত আজিৰ দিনতো কিমান যে প্ৰভেদ! সেই কাৰণেই পৃথিৱী আজিও যুদ্ধৰত হৈয়েই আছে। সৰু হওক বৃহৎ হওক—যুদ্ধ সৰ্বথা আৰু সৰ্বদায়েই অনিষ্টকৰ।

আহক, আজি অকট'বাৰৰ ২ তাৰিখৰ দিনা আমি গান্ধীজীক সোঁৱৰোঁ আৰু নিজৰ আত্মাৰ সৈতে নিজৰ বিবেকৰ যুঁজ দিওঁ।

বছৰ ঃ ১৭   অকট'বাৰ ১৯৯২   সংখ্যা ঃ ৭

বছৰেকীয়া বৰঙণি ৪৮·০০ টকা ঃ ঃ খনে ৪·০০ টকা

CHITRA

সকলোৰে আহাছোন কেম্পকো-ৰ গাবলৈ গুণ!

"গাখীৰৰ গুণ স্বাদ, পুষ্টিও আছে ওপচি, সেয়ে যাঁও খাবলৈ সকলো নেওচি।

এনে এটা চকোলেট - আছে সকলো যত, কেম্পকো ক্ৰীমি মিল্ক চকোলেট।"

ভাৰতৰ এটাইতকৈ ডাঙৰ, সবাতোকৈ আধুনিক প্লাণ্টত তৈৰি।
কেম্পকো লিমিটেড, মাঙ্গালোৰ ·

R K SWAMY/BBDO CL 10117 AS

পৃথিৱীৰ খিৰিকীৰে

এক সুন্দৰ পৃথিৱী বিচাৰি

সংযুক্ত ৰাষ্ট্ৰসংঘৰ পৰ্য্যৱেক্ষণত ব্ৰাজিলিয়াৰ ৰাইঅ' ডি জেনেইৰ' নগৰত বিগত জুন মাহত পৃথিৱীক সুৰক্ষিত কৰাৰ বিষয়ে এক বিশ্ব-সন্মিলন অনুষ্ঠিত হৈছিল। বিশ্বৰ ১১৫০ খন দেশে এই সন্মিলনত অংশগ্ৰহণ কৰিছিল আৰু বিশ্ব-নেতৃবৰ্গই আমাৰ বৰ্তমান পৃথিৱীক প্ৰদূষণৰ কলুষ-মুক্ত কৰিবলৈ তথা পৃথিৱীখনক প্ৰকৃততেই সুন্দৰ আৰু প্ৰাণীকুলৰ বাবে উপভোগ্য কৰি তুলিবলৈ উপায় অন্বেষণ কৰিছিল। এই সন্মিলন আছিল প্ৰদূষণৰ বিৰুদ্ধে প্ৰকৃততেই এক ঐতিহাসিক সন্মিলন।

এই সন্মিলনত অংশ গ্ৰহণকাৰী সকলো নেতায়েই 'বায়োডাইভাৰ্ছিটি' আৰু 'গ্লোব্যাল ওৱাৰ্মিং' (পৃথিৱী উত্তাপ-যুক্ত হোৱা) আদি বিশেষ বিশেষ কথাৰ বকলা মেলা হৈছিল। বিশ্বৰ নেতৃবৰ্গৰ অভিভাষণ সকলো দৰ্শক-শ্ৰোতায়েই মনোযোগেৰে শুনিছিল। কিন্তু প্ৰখ্যাত আন্তৰ্জাতিক পৰিবেশ-সংস্থা 'গ্ৰিন পিছ'ৰ মতে: এই সুন্দৰ অভিভাষণসমূহে এনেহেন মনমোহা সুন্দৰী ধৰণীখনৰ অৰ্থাৎ পৃথিৱী-খনৰ সুৰক্ষাৰ বাবে কোনো উপায় নিৰ্দেশ কৰিব পৰা নাছিল, আছিল কেৱল কথাৰ ফুলজাৰিহে মাথোন।

শুনাত কেনেবা কেনেবাখন যেন লাগিলেও পৃথিৱীখনক সুন্দৰকৈ সুৰক্ষিত কৰাৰ এই সন্মিলনত আনকি কেইবাজনো চেমনীয়ায়ো ভাগ লৈছিল। কেনাডাৰ-পৰা দুজন, চিলিৰপৰা এজন আৰু জাৰ্মানিৰপৰা অহা এজন চেমনীয়ায়ো ভাষণ দিছিল এই সন্মিলনত। এই চেমনীয়াসকলে বিশ্বৰ নেতৃবৰ্গক সিহঁতৰ অনাগত ভৱিষ্যতৰ কথা বিশেষভাবে সোঁৱৰাই দিবলৈ ইয়ালৈ আহিছিল। কেনাডাৰপৰা অহা ১২ বছৰীয়া বালিকা ছিৱেৰ্ণ ছুজুকিয়ে—তাইৰ ভাষণত কৈছিল:

'মই নিজৰ ভৱিষ্যতৰ কথা ভাবি ইয়ালৈ আহিছোঁ, সমগ্ৰ বিশ্বৰ ভোকাতুৰ

আৰু তৃষ্ণাতুৰৰ হৈ আপোনালোকৰ আগত ক'বলৈ থিয় হৈছোঁহি. এই পৃথিৱীৰ মূক প্ৰাণীবিলাকৰ হৈ মই এই সন্মিলনত ভাগ লৈছোঁহি। প্ৰচণ্ড ৰৌদ্ৰ-কবলিত হৈ-আমি অপৰিসীম কষ্টত ককবকাইছোঁ. তাৰ কাৰণ হ'ল—বায়ুৰ ওজোন স্তৰৰ ছিদ্ৰ, আৰু—আৰু যে কিমান কি ৰাসায়নিক বিষাক্ত পদাৰ্থ আছে—নাজানো। এই বায়ুত নিঃশ্বাস ল'বলৈকো আমি ভীত হৈ উঠিছোঁ। যদি পৃথিৱীৰ কোনো ধৰণৰ সংৰক্ষণ কৰিব নোৱাৰে আপোনালোকে—কোনো কথা নাই ; কিন্তু অনুগ্ৰহ কৰি আমাৰ এই পৃথিৱীক আৰু দূষিত কৰাৰপৰা বিৰত হওক—এই কথাখিনি আপোনালোকক ক'বলৈহে আমি নিজেই পইচাপাতি গোটাই নিজ চেষ্টাৰে আপোনালোকৰ

আগত উপস্থিত হৈছোঁহি।'

এই ছোৱালীজনীৰ ভাষণ শুনি বিশ্ব-সন্মিলনৰ নেতৃবৰ্গৰ মাজতে বহুতেই আনন্দাশ্ৰু বিসৰ্জন কৰিছিল।

সন্মিলনৰ শেহতীয়া কাৰ্য্যক্ৰম আছিল 'এজেণ্ডা-২১'। এই উপলক্ষ্যে কোৱা হৈছে যে—বিগত দুই শতিকা জুৰি প্ৰাকৃতিক সম্পদ মানৱৰদ্বাৰা লুণ্ঠিত হৈছে—যাৰ ফলস্বৰূপে পৃথিৱী এক বিৰাট অনিষ্টকৰ প্ৰভাৱৰ সন্মুখীন হৈ উঠিছে। যিমানেই ধন খৰচ নহওক—উন্নত দেশসমূহে এই অনিষ্ট বন্ধ কৰিব লাগে। মানৱজাতিৰ প্ৰগতিৰ কাৰণে প্ৰকৃতিৰ এনেবোৰ অবাধ লুণ্ঠন বন্ধ কৰিব লাগে।

ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী পি. ৰি. নৰসিম্হা ৰাওৱে এই সন্মিলনত এটি প্ৰাচীন শ্লোক শুনাইছিল: 'সমুদ্ৰৰূপী বস্ত্ৰ পৰিধান কৰি পৰ্বতক বক্ষ ৰূপে লৈ বৈ থকা হে ভূ-মাতা! আমাৰ প্ৰণাম গ্ৰহণ কৰাঁ। তোমাক যে আমি আমাৰ এই পদদ্বয়েৰে স্পৰ্শ কৰিছোঁ. তাৰ কাৰণে তুমি আমাক ক্ষমা কৰাঁ।'

ব্ৰাজিলিয়াৰ ৰাষ্ট্ৰপতিয়ে এই বিশ্ব-সন্মিলনত মন্তব্য কৰিছে যে—পৃথিৱীখনক ৰক্ষা কৰাৰ এয়ে শেষ সুযোগ আমাৰ সমুখত সমুপস্থিত!

সামাজিক ভূত

বিমলাজনীৰো বিয়াৰ বয়স হ'ল, দেউতাক ৰমেশেও দিনৰ দিনটো বাম্বু ধুনি থকা হ'ল। ছোৱালীৰ বিয়া মানে— নচঁচা শূলত বহি দিয়াৰ দৰে কথা। য'ৰে পৰা যেনেকৈয়েই নহওক তালে-তিলে সকলো যা-যোগাৰ কৰিব লাগিব, তালু ফুটি জীউ গ'লেও তাৰৰ মাৰি চলাব লাগিব। দৰা পক্ষৰ আগত তুঁহত হগা বোন্দাটি যেন হৈ থাকি কাম সিজাব লাগিব। কিন্তু—ধনৰ দুখীয়া ৰমেশে বহু চেষ্টাতো ছোৱালীজনীৰ কাৰণে কোনো দৰা যোগাৰ কৰিব পৰা নাছিল।

নহা নহয়, আহে, দৰাৰ খবৰ, আহে ; কিন্তু দৰে-ভাওৱে নিমিলে। বিয়া—বিবাহ হেনো জীৱনৰ সৰাতোকৈ শুভ কৰ্ম, তাতো যে ইমান বেহা-বেপাৰ! ভাবি ৰমেশৰ ঘিণ লাগিলে কি হ'ব, দৰাপক্ষীয়হঁতৰ মাজত বিয়াৰ এই ঘিণ লগা বেহা-বেপাৰেই হ'ল উছৰ। ই লাগে সি লাগে এইটো লাগে সেইটো লাগে কৰি কৰি—নগদ টকাৰ শকত মোনাও লাগে। তেহে বিয়াৰ কথাৰ আৰম্ভণী।

দৰা-পক্ষীয়হঁত আহে-যায়—ৰমেশে কোনো পাৰ কুল বিচাৰি নাপায়।

এনেতে ৰমেশৰ সৰুকালৰ বন্ধু মহেশ ৰমেশৰ ঘৰলৈ হঠাৎ এদিন ওলালহি। এই বন্ধুজন নামে-কামে বন্ধু। প্ৰকৃত হিতাৰ্থী। বন্ধুজনে বন্ধুকন্যাৰ কাৰণে দৰা এজনৰ খবৰ লৈ আহিছে। দৰা চহৰত থাকে, মাটি-বাৰী কিছু আছে, মাত্ৰ দহ হেজাৰ নগদ দিলেই হৈ যাব।

শুনি ৰমেশ যিমান আনন্দিত হ'ব

কমল চৌধাৰী

লাগিছিল, নহ'ল। ৰমেশে বেজাৰ মুখেৰে বন্ধু মহেশক ক'লে, "তুমি মোৰ আৰ্থিক অৱস্থাৰ কথা জানাই। গতিকে—।"

বন্ধু মহেশে হাত দাঙি ৰমেশক ৰখাই ক'লে, "বিয়াৰ খৰচ তোমাৰ, নগদৰ দায়িত্ব মোৰ। মোৰ মানে—তোমাক মই টকা দান কৰা নাই। তুমি অলপ অলপকৈ পাঁচ কি দহ বছৰতো মোক টকাখিনি পৰিশোধ কৰিলেই হৈ যাব।"

পোন্ধৰ দিনৰ অন্তত বিয়াৰ দিন খাটাং কৰা হ'ল। ইতিমধ্যে মহেশ গুচি গ'ল চহৰলৈ।

কিন্তু—বিয়াৰ আগদিনাও যেতিয়া মহেশে টকা দহ হেজাৰ লৈ নাহিল, তেতিয়া টকাখিনি আনিবলৈ ৰমেশ মহেশৰ ওচৰলৈ গ'ল।

মহেশে তেওঁৰ এই পলম হোৱাৰ কাৰণে বন্ধু ৰমেশৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি ক'লে যে—নানা ধৰণৰ ব্যৱসায়িক লেঠাত পৰি তেওঁ সময়মতে যাব পৰা নাছিল, এতিয়াও তেওঁ যাব নোৱাৰিব। গতিকে—টকাখিনি ৰমেশে লৈ যাওক।

মহেশে ৰমেশক টকা দহহেজাৰ দিলে আৰু ৰমেশে সেই টকাখিনি তেওঁৰ কঁকালত টোপোলাৰ দৰে বান্ধি লৈ পুনৰ গাঁৱলৈ বুলি যাওণা কৰিলে।

গৈ গৈ বেলিও ডুবিল, হাবিয়েও দেখা দিলে। তেতিয়া সাঁজ লাগি ভাগিবৰ হৈছেহে মাথোন, হঠাৎ এজোপা গছৰ আঁৰৰপৰা বিজুলী গতিৰে চোৰ এটা ওলাই আহি ৰমেশক আগ ভেটি ডেগাৰ উলিয়াই লৈ ক'লে, "যি আছে দিয়া, নহ'লে বুজিছাই—দেখিবা মাৰৰ বিয়া।" এই বুলি কৈ চোৰটোৱে ৰমেশৰ কঁকালত বন্ধা টকাৰ টোপোলাটো কাঢ়ি ল'লে।

ভয়ত ৰমেশৰ হাত-ভৰি পেটত লুকাল। তেওঁ টুঁ শব্দ এটাও কৰিব নোৱাৰিলে। তাৰ পাছত ভাবিলে: বিমলাৰ বিয়া—শিৰবো অসাধ্য। ইমান

সহায়-সুবিধা পায়ো যেতিয়া এইদৰে হেকৰাবলগা হ'ল, তেতিয়া আৰু নহ'বই —এইবোৰ কথা ভাবি ভাবি হতাশ মনেৰে ৰমেশ পুনৰ ঘৰমুৱা হ'ল।

বাটত এঠাইত একুৰা জুই জ্বলাই দুটা ভূতে জুই পুৱাই আছিল আৰু নানান গপ-চপ মাৰি আছিল। ইটোভূতে যেতিয়া সিটোৰ ওচৰত কথাই কথাই বিমলাৰ বিয়াৰ কথা উলিয়ালে, তেতিয়া অবাক হৈ ৰমেশে তাত ৰৈ দিলে।

ইটো ভূতে কৈ আছিল, "যেই কি নহওক—কালিলৈ ৰাতিৰ পৰতে বিমলাৰ বিয়াখন হৈ যাবই।"

"কেনেকৈনো—? টকা দহহেজাৰ দেখোন চোৰ এটাই কাঢ়ি লৈ গ'ল। কেনেকৈনো বিয়া হ'ব অ'?" আন ভূতটোৱে ক'লে।

"তোৰ মগজু বোলা পদাৰ্থয়েই নাই যে—জানেৰেই। পিছে—চকুযুৰিও যে খালি — খালত পৰিল যে— তাকেহে নাজানিছিলোঁ. এতিয়া জানিলোঁ।"

"তাৰ মানে—?"

"তাৰ মানে—সেই চোৰটোক যে সাপে খুটি তেতিয়াই মাৰিলে, আৰু মৰা চোৰটো টকাখিনিৰে সৈতে আৰু লগতে আন এটোপোলা গহনাৰে সৈতে যে তাত পৰি আছে—দেখা নাই?"

শুনি ৰমেশে এন্ধাৰৰ বুকু ফালি ফালি দৌৰি দৌৰি সেই ঠাই পালেগৈ আৰু তাত সঁচাসঁচিকৈ চোৰটোক মৰি পৰি থকা দেখা পালে। ৰমেশে তেওঁৰ টকাৰ টোপোলাটো পালে আৰু লগতে পালে এটোপোলা সোণৰ গহনা। ৰমেশে ভাবিলে: বিয়াখন সুকলমে হৈ যোৱাৰ পাছত গহনাৰ টোপোলাটো নগৰৰ কতোৱালৰ হাতত চমজাই দিয়া যাব। —টকাৰ আৰু গহনাৰ টোপোলা দুটা বুটলি লৈ ৰমেশে ঘৰ পালেগৈ।

সকলোখিনি কথা শুনাৰ অন্তত ৰমেশৰ পৰিয়ালে ৰমেশক ক'লে "ভাগ্যই

আমাক সঁচাসঁচিকৈ সহায় কৰিছে। নহ'লেনো চোৰে নিয়া ধন এনেকৈ কোনোবাই ঘূৰাই পায়নে?"

সাঁজ লাগি ভাগিল, আৰু দৰাপক্ষীয় মানুহবিলাক তথা বৰযাত্ৰীহঁত আহি পালেহি। এওঁলোকক নেমুটেঙাৰ চৰবৎ দিয়া হ'ল। দৰাৰ বাইদেৱেকে নেমুটেঙাৰ চৰবৎ খাই থাকোঁতে তাইৰ মাকক ক'লে, "মা, চোৱাচোন—চোৱা। চোৰটোৱে কাঢ়ি লোৱা মোৰ গহনাৰ টোপোলাৰ গহনাখিনি দেখোন এইজনীৰ গাত!—কথানো কি?" এই বুলি কৈয়েই দৰাৰ বাইদেৱেকে গহনা পিন্ধি থকা সেই ছোৱালীজনীৰ হাতত ধৰিলে।

চোৰৰপৰা পোৱা গহনাখিনি যে নিজৰ সকজনী ছোৱালী পমিলিয়ে যে পিন্ধিছিল, সেই কথালৈ ৰমেশে বা পমিলিৰ মাকেও মনেই কৰা নাছিল।

চুৰিৰ গহনাখিনি কেনেকৈ ইয়ালৈ আহিল—এই কথাত লাগিল দৰাঘৰীয়া-কইনাঘৰীয়াহঁতৰ বাচ্যাবাচি। ৰমেশে সম্পূৰ্ণ সঁচা বিবৰণ দিলে, কিন্তু তাৰে কোনো কাম নহ'ল। দৰাঘৰীয়াই ক'লে, "আমি চোৰৰ ঘৰৰ ছোৱালী নিনিওঁ।" এই বুলি কৈ, পমিলিৰ গাৰপৰা গহনাখিনি টান মাৰি সোলোকাই লৈ দৰাৰে সৈতে দৰাঘৰীয়াই ঘৰাঘৰি গ'লগৈ।

সেই নিশা ৰমেশহঁতৰ কাৰো চকুত

টোপনি নাহিল। প্ৰতিজনেই সাৰে থাকি মন মৰা হৈ নিমাতে বহি আছিল। এনেতে বাহিৰৰপৰা কোনোবাই সেইটো কোঠাৰ দুৱাৰত খটখটালেহি।

বিয়াৰ কইনা বিমলায়েই দুৱাৰখন খুলি দিলেগৈ। বাহিৰত তেতিয়া দৰা স্বয়ং থিয় হৈ আছিল।

দৰা শংকৰে হতবাক হৈ পৰা ৰমেশ আৰু তেওঁৰ পৰিবাৰক ক'লে, "আপোনালোকৰ যদি আপত্তি নাই— এই মুহূৰ্ত্ততে মই বিমলাক বিয়া কৰাই লৈ যাম। পিছে—কোনো যৌতুক বা নগদ টকা মই নলওঁ।"

এইদৰে অন্য কোনো বাধাৰ সৃষ্টি নোহোৱাকৈয়েই শেহলৈ বিমলাৰ বিয়াখন হৈ গ'ল।

বিয়াৰ পাছত বিমলাই তাইৰ গিৰিয়েক শংকৰক সুধিছিলে, "আপুনিও দেখোন দৰাঘৰীয়াসকলৰ লগ লাগি গুচি গৈছিল, আকৌ আহিছিলনো কিয়? আৰু — এনেকৈ হঠাতে আহি মোক কৰাইছিলে বিয়া বা কিয়?"

গিৰিয়েক শংকৰে মৃদুকৈ হাঁহি হাঁহি সৈতে যি ক'লে তাৰ সাৰমৰ্ম হ'ল ঃ বিয়া যেতিয়া ভংগ হৈ গ'ল, তেতিয়া সি তাৰ মাক-দেউতাকৰ সৈতে গাঁৱৰ ঘৰলৈ নগৈ চাকৰিৰ ঠাই চহৰলৈ গৈ থাকিল। গৈ থাকোঁতে ৰাতি হ'ল। হাবিৰ কাষত জুই

একুৰা জ্বলাই লৈ ছুটা ভূ:ত জুই পুঁৰাই থাকোঁতে আমাৰ এই বিয়াৰ কথা আৰু সেই চোৰটোৰ কথাকে কৈ থকা মোৰ কাণত পৰিল। সিহঁতৰ—ভূত ছুটাৰ—কথাৰপৰা বুজি পালোঁ যে তোমাৰ দেউতাৰাই সঁচা কথাকে কৈছিল গহনাৰ টোপোলাটো বুটলি পোৱাৰ বিষয়ে। তেতিয়া—মোৰ মাজত থকা বিবেক জাগ্ৰত হ'ল আৰু মই তোমাক বিয়া কৰাবলৈ পোনে পোনেই গুচি আহিলোঁ।

শংকৰে হিঁহি হাঁহিয়েই ক'লে, "এটা ভূতে আনটোক কৈ আছিল—'বুইছ, যৌতুকে-নগদে দৰাঘৰীয়াই যি খুজিছিল যিমান খুজিছিল, সিয়েই আছিল নৰকগামী হোৱাৰ পক্ষে যথেষ্ট পাপ। লগতে অনাহকতে গহনা-চোৰ বুলি কৈ ৰমেশৰ সঁচা কথাতো পতিয়ন নগৈ, তাতোকৈ অধিক পাপ কৰিছিল সিহঁতে। আৰু সেই পাপৰ ফলতে বিমলাহেন হীৰাৰ টুকুৰা ছোৱালী এজনীক হেৰুৱালে। এই অনিয়ায় পাপৰ দণ্ড—দৰা শংকৰে কেনেকৈ পাব লাগিব জাননে?"

"নাজানিম কেলেইনো? আমিও ভূত হৈ তেনেকুৱা পাপৰ পৰাচিত কৰি থকা নাই জানো? শংকৰেও আমাৰ লগত লগ লাগিবহি।" এই বুলি কৈ দ্বিতীয় ভূতটোৱে নাচি নাচি হাঁহিবলৈ ধৰিলে।

তাৰ পাছত শংকৰে আকৌ ক'লে, "ভূতৰ কথাৰপৰা যেতিয়া তোমাৰ দেউতাৰাৰ কথা সাঁচে-কাটে সঁচা বুলি জানিলোঁ, বুজি পালোঁ—তেওঁ নিৰ্দোষ, তেতিয়া আৰু ৰৈ থাকিব নোৱাৰিলোঁ, তোমাক ল'বলৈ আহিলোঁ।"

বিমলাই সমাজৰ উপকাৰী সেই নেদেখা সমাজিক ভূতলৈ হাত যুৰি নমস্কাৰ কৰিলে আৰু গিৰিয়েকৰ সৈতে নগৰলৈ বুলি যাত্ৰা কৰিলে।

মায়া মহল

৫

[সাৰস সৰোবৰস্থ বিশ্ৰাম-ভৱনৰপৰা ৰাজকুঁৱৰী বিদ্যাৱতী নোহোৱা হোৱাত সমগ্ৰ ৰাজ্যত বিৰাট হৈ-হুলস্থুল লাগি পৰিল। ৰাজকুঁৱৰীক বিচাৰি উলিয়াবলৈ সেনাধিপতি উগ্ৰসেনে ৰাজ্যৰ সকলোতে চিপাহী মেলি দিলে। আৰু ঠিক তেতিয়াই অচিনাকি যুৱক এজনে অকলেই ৰাজকুঁৱৰীৰ সা-সন্ধান উলিয়াবলৈ মহাৰাজৰ ওচৰলৈ আবেদন দাখিল কৰিলে। এই যুৱকক দেখা পাই প্ৰধান জ্যোতিষাচাৰ্য্য বাচস্পতিদেউ চক খাই উঠিল আৰু ভাবিলে: ৰাজকুঁৱৰী বিদ্যাৱতীক বিচাৰি উলিয়াবলৈ এই আচৰিত-দৰ্শন দুঃসাহসী যুৱক—কোননো? ভাবি ভাবি প্ৰধান জ্যোতিষাচাৰ্য্য লাহে লাহে গুচি গ'ল। আৰু তাৰ পাছত......]

চিপাহীহঁতে লৈ অহা গৌৰবৰ্ণ ওখ-পাখ যুৱকজনে হাত যুৰি মহাৰাজক প্ৰণাম কৰিলে। মহাৰাজে যুৱকজনৰ আপাদ-মস্তক নিৰীক্ষণ কৰি কিঞ্চিত অবাকেই মানিলে। যুৱকজনৰ বেশ-ভূষা অতি সাধাৰণ. কিন্তু যুৱকৰ মাজত থকা গহীন গম্ভীৰ ভাব, আৰু বিশেষকৈ তাৰ দৃষ্টিত ৰাজকীয় ভাব ফুটি ওলাইছে। যুৱকলৈ চাই মহাৰাজে ভাবিলে: এই যুৱকৰ বিষয়ে আমাৰ সেনাধিপতি উগ্ৰসেনে সঠিক কথাকে কৈছিল। দেখাত সাধাৰণ যেন হ'লেও যুৱকৰ মাজত কিবা সাধাৰণত্ব থাকিবও পাৰে।

উগ্ৰসেনে ক'লে, "মহাৰাজ! আমাৰ ৰাজকুঁৱৰীক অকলশৰে বিচাৰি উলিয়াবলৈ আগ্ৰহ প্ৰকাশ কৰা যুৱকজন—এওঁৱেই।"



ৰাজ্যত কোনো এজনো নোলাব। তেওঁৰ জন্মদিনৰ উৎসৱত তেওঁক দেখা নোপোৱা কোনো এই ৰাজ্যত নাই।"

"ভাল। পিছে—তুমি যে কোন—নক'লাই দেখোন।"

মহাৰাজৰ এই প্ৰশ্নৰ উত্তৰত যুৱকে বিনম্ৰভাবে ক'লে, "মহাৰাজ! মোৰ নাম মহেন্দ্ৰনাথ। ৰাজধানীৰ গা-তে লগা দেৱীমন্দিৰৰ ওচৰত মই মোৰ মাতৃৰে সৈতে থাকোঁ। মোৰ তিনি বছৰীয়াতে দেউতা স্বৰ্গী হৈছিল, আৰু তেতিয়াৰপৰা মোৰ খুড়াদেউৱেই আমাক চোৱাচিতা কৰিছিল। কিন্তু হঠাৎ আমাৰ খুড়ীদেউ সিফলীয়া হোৱাত খুড়াদেউ জীৱনৰ প্ৰতি বীতস্পৃহ হৈ ক'ৰবালৈ গুচি গ'ল। তাৰ পাছৰপৰা ময়েই ইটো-সিটো কৰি কিছু-কিঞ্চিত আয়-উপাৰ্জন কৰি কথমপি মাৱে-পোৱে চলি আছোঁ।"

"কিন্তু—যি কাম তুমি কৰিবা বুলি কৈছা, সেয়া দেখোন টানৰো টান কাম। কষ্টৰ কথা বাদেই, তোমাৰ যথেষ্ট বিপদো হ'ব পাৰে দেখোন।" মহাৰাজে ক'লে।

"আপুনি সঠিক কথাকে কৈছে, মহাৰাজ! কিন্তু—এইবোৰ-এনেবোৰ কথা — বিপদ-বিঘিনিৰ নানা নকথা—আগতীয়াকৈ ভাবিয়েই আহিছোঁ মই—

"হে যুৱক, তুমি কোন? তোমাৰ নাম কি? আমাৰ অসংখ্য চিপাহীয়ে ৰাজ্যৰ, আনকি এই ৰাজ্যৰ সীমাৰ বাহিৰতো ৰাজকুঁৱৰীক বিচাৰি আছে। কিছুমান চিপাহীয়ে বিত বিতকৈ বিচাৰিও কোনো সন্তেদ নাপাই উভতি আহিছে। তেনেস্থলত—তুমি অকলশৰীয়া যুৱা এজনে কেনেকৈনো কি কৰিবা? আনকি—ৰাজকুঁৱৰীক ক'ৰবাত দেখা পালেও তুমি দেখোন চিনি নাপাবা!" মহাৰাজে এই অচিনাকি যুৱকক ক'লে।

যুৱকে মহাৰাজক ক'লে, "মহাৰাজ! ৰাজকুঁৱৰীক চিনি নোপোৱা আমাৰ

আগবাঢ়িছোঁ এই কামলৈ। মই দুঃসাহসীও নহওঁ, কিন্তু কাপুৰুষতাকো প্ৰশ্ৰয় দিয়াত মই নাই। যদিও—মই অনুসন্ধানলৈ ওলাই পুনৰ উভতি অহালৈকে মাক লৈ কিঞ্চিত সমস্যা আছে। গতিকে—।"

"ওঁ, কথাটো আমাৰ সেনাপতিয়ে কৈছিল। সেই কথাত তুমি চিন্তা নাকৰিলেও হ'ব। তুমি অনুসন্ধানত সফল হৈ যেতিয়া উভতি আহিবা— তোমাক বিভিন্ন পুৰস্কাৰেৰে পুৰস্কৃত কৰা হ'ব। তোমাৰ কোনো বিশেষ ইচ্ছা যদি আছে —তাকো সহজেই ক'ব পাৰা।"



মহেন্দ্ৰনাথে ধীৰ-শান্ত কণ্ঠেৰে উত্তৰ দিলে, "মহাৰাজ! মই কোনো ৰকমৰ পুৰস্কাৰৰ আশাৰে, বা কোনো ধৰণৰ বিশেষ ইচ্ছাৰে এই বিপদসংকুল কামলৈ আগ বঢ়া নাই। এই ৰাজ্যৰ অন্যতম নাগৰিক হিচাপে এই কাৰ্য্যক মই মোৰ কৰ্তব্য হিচাপে ভাবোঁ। এই কাৰণে—আমাৰ ৰাজকুঁৱৰীক বিচাৰি উলিয়াবলৈ আপোনাৰ অনুমতি বিচাৰি আহিছোঁ।"

"ঠিক আছে, সেই অনুমতি তোমাক দিয়া হ'ল। তুমি কেতিয়া ওলাবা বুলি ভাবিছা?" মহাৰাজে মহেন্দ্ৰক সুধিলে।

"মই কালিলৈ ওলাম বুলি ভাবিছোঁ। কিন্তু—" মহেন্দ্ৰই ৰৈ দিলে।

"কিন্তু—কি? কোৱা—।" মহাৰাজে মহেন্দ্ৰক ক'লে।

সেনাধিপতি উগ্ৰসেনেও বিস্মিত দৃষ্টিৰে মহেন্দ্ৰনাথলৈ চালে।

"মহাৰাজ! মই ৰাজকুঁৱৰীক নিশ্চয় চিনি পাম, কিন্তু মই যে ৰাজকীয় কৰ্তব্য কৰিবলৈ গৈছোঁ তথা তেওঁক উদ্ধাৰ কৰিবলৈ যে মহাৰাজে মোক অনুমতি দিছে—কেনেকৈ মই বুজাম তেওঁক? তেওঁ কেনেকৈ মোক বিশ্বাস কৰিব? মহেন্দ্ৰনাথে মহাৰাজলৈ চাই সুধিলে।

"কিন্তু তথাপি—" উগ্ৰসেনে কৈ উঠিল, "এই চিন বা চিনাকি দিব পৰা

কোনো বস্তু এওঁৰ হাতত দিয়া ঠিক নহ'ব। কিয়নো—সেই চিনৰ বস্তু যদি কেনেবাকৈ এওঁৰপৰা চুৰি হৈ যায় বা হেৰাই যায়, কথা অতি বিষম হৈ উঠিব।"

মহাৰাজে উগ্ৰসেনক ক'লে, "ঠিকেই কৈছা।" তাৰ পাছত মহাৰাজে মহেন্দ্ৰনাথক ক'লে, "যুৱৰাণীৰ সোঁ বাহুত এটা ক'লা জৰুণৰ দাগ আছে। এই জৰুণৰ কথা মই আৰু মহাৰাণী বাদে—কোনেও নাজানিছিল। এতিয়া তুমি জানিলা। গতিকে—তুমি যে আমাৰ প্ৰেৰিত মানুহ, এই কথাৰপৰা যুৱৰাণীয়ে বুজি পাব। কিন্তু খুব সাৱধান হৈ থাকিবা, তোমাৰপৰা ভুলতো কথাটো—"

"আপুনি পৰম নিঃচিন্ত হৈ থাকক, মহাৰাজ! মই আপোনাক গোপনতাৰ নিশ্চিন্ততা প্ৰদান কৰিছোঁ।" মহেন্দ্ৰনাথে মহাৰাজক ক'লে।

আৰু—সেই মুহূৰ্ততে মহাৰাজে অন্তেষপুৰলৈ বুলি খোজ ল'লে।

তেতিয়া সেনাধিপতি উগ্ৰসেনে মহেন্দ্ৰক ক'লে. "আজি গধূলিতে তোমাৰ মাৰাক লগত লৈ আহিবাচোন এবাৰ। তেতিয়া বাকীখিনি কথা হ'ম।"

মহেন্দ্ৰই যেতিয়া ঘৰ পালেগৈ, তেতিয়া মহেন্দ্ৰৰ মাকে সান্ধ্যকালীন দেৱাৰ্চ্চনা কৰি আছিল। মহেন্দ্ৰই তাৰ মাকক ক'লে, "মা, মই আমাৰ মহাৰাজক দৰ্শন কৰি আহিলোঁ, মা!"

"কি! কি ক'লি? মহাৰাজ বীৰসেনক দৰ্শন কৰি আহিলিনে তই? কিবা কামত মকৰল কৰিলেনে তোক তেওঁ?" মাকে সুধিলে।

"কাম—পাছতো হ'ব। প্ৰথমতে ৰাজকুঁৱৰীক বিচাৰি উলিয়াবৰ অনুমতি মোক মহাৰাজে দিলে।" মহেন্দ্ৰই ক'লে।

"কি ক'লি! ৰাজকুঁৱৰীক বিচাৰি উলিয়াবি? তই! তেওঁক ক'তনো বিচাৰি পাবি তই? আৰু—অকলে অকলে

অটব্য অৰণ্যত, পাহাৰে-পৰ্বতে বিচাৰি—কেনেকৈ ফুৰিবিনো তই? তই উভতি নহালৈকে মোৰ কি হ'ব?" মাকে ক'লে।

"একো চিন্তা নাই, মা। ৰাজকুঁৱৰীক বিচাৰি উলিয়াই নিশ্চয়েই মই উভতি আহিম। আৰু—মই উভতি নহালৈকে তোমাৰ দায়িত্ব ল'ব—স্বয়ং মহাৰজাই। আজি গধূলিতে আমি সেনাধিপতিৰ ওচৰলৈ যাম, আৰু তেতিয়া তোমাৰ সকলো চিন্তা গুচিব।" মহেন্দ্ৰই তাৰ মাকক সান্ত্বনা দি ক'লে।

গধূলি পৰতে মহেন্দ্ৰই তাৰ মাকক লগত লৈ সেনাধিপতি উগ্ৰসেনৰ কাষ চাপিল। সেনাধিপতিয়ে মাক-পুতেক দুয়োকো সাদৰি ল'লে আৰু মহেন্দ্ৰৰ মাকক ক'লে, "মা! আপোনাৰ পুত্ৰই এই কাৰ্য্যত নিশ্চয় বিজয়লাভ কৰিব আৰু ৰজা-প্ৰজাকো আনন্দ-সাগৰত উটুৱাব। আপুনি নিশ্চিন্ত থাকক, আপোনাৰ ৰক্ষণাৰেক্ষণৰ দায়িত্ব আমাৰ। আপুনি আপোনাৰ পুত্ৰক এই কাৰ্য্যত সফলতাৰ বাবে আন্তৰিক আশীৰ্বাদ দিয়াক।"

তাৰ পাছত সেনাধিপতিয়ে মহেন্দ্ৰক ক'লে, "তুমি তোমাৰ মাৰাৰ কাৰণে মনত সামান্যতম চিন্তাও নকৰিবা। জ্যোতিষাচাৰ্য্য বাচস্পতিয়ে গণনা কৰি কৈছিল যে—আমাৰ ৰাজধানীৰ পশ্চিম দিশত বিচাৰি থাকিলে সুফল প্ৰাপ্তিৰ সম্ভাৱনা। এই কথা মনত ৰাখি ওলাবা। মহাৰাজে কোৱা কথাখিনিও মনত ৰাখিবা। তুমি তোমাৰ কাৰ্য্যত বিজয় লাভ কৰি অনতি-পলমে উভতি পুনৰ ৰাজধানীলৈ আহিবা বুলি আশা কৰিছোঁ।"

তাৰ পাছত মাক-পুতেক আনন্দিত মনেৰেই ঘৰলৈ উভতি গ'ল।

পাছদিনা ধলপুৱাতে সাৰ পাই মহেন্দ্ৰনাথে প্ৰথমতে তাৰ মাকক সাষ্টাংগে প্ৰণাম কৰিলে, আৰু পাছত আহাৰ্য্যৰ টোপোলা এটি বান্ধি লৈ ভগৱন্তক সুঁৱৰি

সাৰস সৰোবৰলৈ যাত্ৰা কৰিলে।

সাৰস সৰোবৰ পাই মহেন্দ্ৰনাথে সাৰস সৰোবৰৰ চতুষ্পাৰ্শ গভীৰ মনোযোগৰে পৰীক্ষা কৰি থাকোঁতে সাৰস সৰোবৰৰ সুদৃশ্য ঘাটত এখন নাও আৰু এজন নাৱৰীয়াকো দেখা পালে।

নাৱৰীয়া মানুহজন এখোজ-দুখোজকৈ মহেন্দ্ৰনাথৰ কাষ চাপিল আৰু অলপ দ্বিধাৰে মহেন্দ্ৰনাথক সুধিলে, "আপ্‌নি আপুনি—আমাৰ ৰাজভৱনৰপৰা আহিছিনে, দেউ ?"

"কিয় এই কথা সুধিছা ?" মহেন্দ্ৰনাথে ঘূৰাই সুধিলে।

"ময়ো আমাৰ ৰাজকুঁৱৰী ফিৰি অহালৈ বাট চাই আছু। তেওঁ ফিৰি আহিলেহে সৌ জিৰ্‌ণি-ঘৰত্‌ থকা বুঢ়ী লিগিৰীটু ৰাজভৱনলৈ ফিৰি যাবাৰ পাইৰ্‌ব। এতে বুঢ়ী লিগিৰীটু বৰ অস্বস্তিৰে আছে।" নাৱৰীয়াই ক'লে।

"ৰাজকুঁৱৰীৰ সা-সম্বেদ এতিয়াও পাবলৈ নহ'ল। মই তেওঁক বিচাৰিয়েই ওলাইছোঁ।" মহেন্দ্ৰই ক'লে।

"হয়নে ? শুনিও শান্তি পাইছোঁ। এটা কথা জানি থ'ক, আমাৰ ৰাজকুঁৱৰীক লৈ যোৱাহঁতে তেওঁক সৰোবৰৰ এই ঘাটৰপৰা কিন্তু পাৰ কৰা নাছিল। এই সৰোবৰৰপৰা ওলাই যোৱাৰ দ্বিতীয় পথ—নিশ্চয় আছে।" নাৱৰীয়াই ক'লে।

"মই সাৰস সৰোবৰৰ চাৰিওফালে ঘূৰি-ফুৰি চাম—ক'ত কি আছে-নাই। যদি অন্য কোনো পথ আছেই—সেই পথ ময়ো ল'ম।" এই বুলি কৈ মহেন্দ্ৰনাথে তাৰপৰা খোজ ল'লে।

আৰু সাৰস সৰোবৰৰ ঘাটত থকা ৰাজকীয় নাৱৰ নাৱৰীয়াই মহেন্দ্ৰনাথ অদৃশ্য নোহোৱালৈকে ঠাইতে অলৰ-অচৰ ভাবে থিয় হৈ থাকি মহেন্দ্ৰনাথৰ যোৱালৈ চাই ৰ'ল...চায়েই ৰ'ল......। [আগলৈ

আকাশলংঘা লাখুটি

এগৰাকী বিৰাট জমিদাৰৰ লগত সদায় ৰামু আৰু কামু নামৰ দুজন অনুচৰ অ'লৈ ত'লৈ গৈছিল। এদিন কোনোবা এঠাইত বহুদূৰলৈকে বিয়পা সেউজীয়া খেতি-পথাৰ দেখা পাই হঠাৎ ফোঁপাই ফোঁপাই জমিদাৰক কৈ উঠিল, "হুজুৰ! এসময়ত এই গোটেইখিনি খেতি-পথাৰ মোৰ আজোককাৰ আছিল।"

তেতিয়া কামুৰে টপৰকৰে কৈ উঠিল, "হয় হুজুৰ, ৰামুৰে ঠিকেই কৈছি। ৰামুৰ আজোককাৰৰ এই বিৰাট খেতি-পথাৰত মোৰ আজোককাই বৰষুণ নমাইছিল। কেনেকৈ জানেনে? মোৰ আজোককাৰ আছিল আকাশ যিমান ওখ সিমানেই দীঘল এডাল লাখুটি। সেই লাখুটিৰে আকাশক নাগেৰা পিটা দি তেওঁৰ য'তে মন গৈছিল তাতে বৰষুণ নমাইছিল। সেই লাখুটিডাল—আকাশলংঘা লাখুটিডাল আছিল সাইলাখ ইন্দ্ৰৰ বজ্ৰায়ুধৰ দৰে, হুজুৰ!"

"ইমান ডাঙৰ ডাং! তোমাৰ আজোককাৰে সেই আকাশলংঘ ডাংডাল থৈছিলনো ক'ত, কামু?" জমিদাৰে হাঁহি হাঁহি সুধিলে।

"ডাং বুলি ক'ব নাপায়, হুজুৰ! সেইডালেই আছিল মোৰ আজোককাৰ হাতৰ লাখুটি।" কামুৰে কেহৰাজ বটা যেন হৈ ক'লে।

"হয়নে? এতিয়া সেইডাল আছে ক'ত?" জমিদাৰে হাঁহি ৰখাই সুধিলে।

"হুজুৰ, কোৱা হয়—খং নামে চণ্ডাল। এবাৰ কিবা কথাত খং উঠি আমাৰ আজোককাই সেই দীঘলৰো দীঘল আকাশলংঘা লাখুটিডালেৰে আকাশৰ পিঠিত ইমানকৈ বাববিফুল বাছিছিল যে তিনিদিন তিনিনিশা বৰষুণ নেৰাই হ'ল, সঁতা ধৰা হ'ল। লাখুটিডাল সেই ৰামুৰ আজোককাৰ খেতিপথাৰতে আমাৰ আজোককাই লুকাই থৈছিল বুলি শুনিছিলোঁ; বোধকৰোঁ সেই তিনিদিনীয়া পানীত ক'ৰবালৈ উটি গ'ল।" কামুৰে কামৰি কঢ়া মাতেৰে ক'লে।

তেতিয়া ৰামুৰে টপৰাই কৈ উঠিল, "হুজুৰ, সেই লাখুটিডালো নোহোৱা হ'ল, আৰু আমাৰ আজোককায়ো এই খেতি-মাটি আক-তাক ভগাই দিয়া হ'ল। এতিয়া আমাৰ আছেগৈ—মুঠেই আধা হালিচা মাটি!"

জমিদাৰ ডাঙৰীয়াই বাগৰি বাগৰি হাঁহিলে আৰু তাৰ পাছত ৰামু আৰু কামুক সাগৰক নগৰ আৰু নগৰক সাগৰ কৰাৰ পুৰস্কাৰ হিচাপে পাঁচ হালিচাকৈ খেতিমাটি দিলে।

বিশ্বপ্ৰেমিক

তথাপি আঁকোৰজা ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰ ডালৰপৰা মৰা শ'টো নমাই আনি কান্ধত পেলাই লৈ আঁউসীৰ ঘনঘোৰ নিশা নিৰবে-নিমাতে শ্মশানলৈ বুলি গৈ থাকোঁতে শ'ৰ মাজত থকা বেতালে লৰিচৰি কৈ উঠিল, "হে ৰাজন্! মোৰ ধাৰণা হৈছে, তুমিও কিজানি সেই তান্ত্ৰিক কুবৰৰ দৰে সমগ্ৰ পৃথিৱীৰ অধীশ্বৰ হ'বলৈ এই ধৰণে অশেষ কষ্ট ভুগিছা। কিন্তু এই লক্ষ্য ঢুকি পাবলৈ হ'লে বজ্ৰ সংকল্পৰ সৈতে সিদ্ধিৰ প্ৰতি অংকুৰিত দীক্ষাও যে প্ৰয়োজন—তান্ত্ৰিক কুবৰৰ কাহিনী শুনিলে সেই বিষয়ে ধাৰণা কৰিব পাৰিবা।" কুবৰৰ কাহিনীয়ে তোমাক আন একো দিব নোৱাৰিলে তোমাৰ মনত চিন্তাৰ সমল যোগাব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে :

'বেতাল-কথা'

অৱন্তীদেশৰ ৰাজকুঁৱৰী স্বৰ্ণলতা আছিল অপূৰ্ব সুন্দৰী। সুন্দৰী হিচাপে তেওঁৰ নাম চতুৰ্দিশে বৈ বৈ গৈছিল। এই কাৰণে বহুতো ৰাজ্যৰ বিবাহেচ্ছু ৰাজকোঁৱৰৰ চিত্ৰ অৱন্তীৰাজে পাই থাকিল আৰু লগতে সেই চিত্ৰবোৰ জীয়েককো নিয়মিত ভাবে দেখুৱাই থাকিল।

এদিন ৰাজকুঁৱৰী স্বৰ্ণলতাই তেওঁৰ পিতাকক ক'লে, "দেউতা! বিবাহ-সম্পৰ্কীয় কথাত মই আপোনাৰ নিৰ্দেশ-নিৰ্ণয় অৱশ্যেই পালন কৰিম। কিন্তু—'কোনখন ৰাজ্যৰ সৈতে সম্পৰ্ক সৃষ্টি হোৱা হ'লে আমাৰ ৰাজ্যৰ মংগল হ'ব—সেই কথাৰ প্ৰাধান্য দিয়াটো আৰু সৰ্বাগ্ৰে সেই কথা স্থিৰ কৰাটো হওক এই বিষয়ে আমাৰ প্ৰথম কৰ্তব্য।"

এই কথাৰ উত্তৰত মৃদুকৈ হাঁহিৰে মহাৰাজে ক'লে, "তোমাৰ বিবাহ—নীহাৰ ৰাজ্যৰ ৰাজকোঁৱৰৰ সৈতে পতাটোকে আপাতত মই স্থিৰ কৰিছোঁ। মোৰ এই নিৰ্ণয়ত তোমাৰ সম্মতি আছেনে?"

এনেহেন কথা এটি শুনিয়েই স্বৰ্ণলতা শেঁতা পৰিল। কিয়নো—নীহাৰ ৰাজ্যৰ যুৱৰাজ আছিল অতিশয় নীচ মনো-ভাৱাপন্ন আৰু প্ৰজাভীতিকৰ হিংস্ৰ প্ৰকৃতিৰ, তথা এই ৰাজকোঁৱৰজন দেখাতো অতি আছিল কুৰূপ।

মহাৰাজে জীয়েকৰ ভাব-ভংগীলৈ চাই এইবাৰ কোমল মাতেৰে ক'লে, "তুমি যে বিদেহ ৰাজ্যৰ ৰাজকুমাৰ চিত্ৰসেনক মনে মনে বৰণ কৰিছা, জানো মই। ঠিক আছে, আমাৰ ৰাজ্যৰ ভৱিষ্যতৰ কথা নাভাবি—তুমি নিজৰ ভৱিষ্যৎ তথা সুখ-শান্তিৰ কথা ভবাতো কোনো দোষ নেদেখোঁ মই। কিয়নো—জগতৰ নিয়ম-নীতি মতে তোমাৰ ব্যক্তিগত সুখৰো যথেষ্ট মূল্য নথকা নহয়।"

এই কথাৰ উত্তৰত ৰাজকুঁৱৰী

স্বৰ্ণলতাই শান্ত কণ্ঠেৰে ক'লে, "মোৰ ব্যক্তিগত জীৱনতকৈ, মোৰ ভৱিষ্যতকৈ আমাৰ ৰাজ্যৰ ভৱিষ্যতৰ মূল্য সহস্ৰগুণে অধিক। ৰাজ্যৰ মংগলৰ কাৰণে মই মোৰ ব্যক্তিগত সুখ জলাঞ্জলি দিবলৈ কদাপি পিছ হুঁহকি নাযাওঁ। আৰু —এই কাৰণে, লাগিলে মই নীহাৰ ৰাজ্যৰ সেই কুৰূপ-কুহৃদয় যুৱৰাজকো পতিৰূপে বৰণ কৰি ল'ম।"

মহাৰাজেও অতি ধীৰ কণ্ঠেৰে ক'লে, "দেশভক্তিয়ে তোমাক খুলি খুলি খাইছে, আৰু মোৰ নিৰ্ণয় তথা সিদ্ধান্ততো তুমি অবিচল। কিন্তু তথাপি কওঁ, তুমি যিজনক তোমাৰ জীৱনলগৰী ৰূপে বৰিব খুজিবা, আমিও সেইজনকেই আদৰি ল'ম।" এই বুলি কৈয়েই মহাৰাজ তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

চিত্ৰাৰণ্যত কুবৰ নামৰ এজন তান্ত্ৰিক আছিল। বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ দেৱতাক আৰাধনাৰে তুষ্ট কৰি কুবৰে সেই দেৱতা সকলৰপৰা বহুবিধৰ মন্ত্ৰশক্তি আৰু লগতে অলৌকিক তন্ত্ৰ-শক্তি লাভ কৰিছিল। ক্ৰমে কুবৰৰ মনত এক দুৰাশাই বাহ লৈছিল: কুবৰ হৈ উঠিব সমগ্ৰ পৃথিৱীৰ একচ্ছত্ৰী অধীশ্বৰ!

এজন ক্ষুদ্ৰ দেৱতাৰ আগত তান্ত্ৰিক কুবৰে তেওঁৰ এই মনোবাসনা প্ৰকাশ কৰাত সেই ক্ষুদ্ৰ দেৱতাই কুবৰক কৈছিল যে—অৰন্তী-কুঁৱৰী স্বৰ্ণলতাক কেনেবাকৈ বিবাহ কৰাব পাৰিলেহে কুবৰৰ এই আশা সফল হ'লেও হ'ব পাৰে; নতু, এই আশা পুলিতেই পোকে খাব। অৱশ্যে—ৰাজকুঁৱৰী স্বৰ্ণলতাই যদি স্বেচ্ছাৰে কুবৰক বিবাহ কৰায়, তেহে কুবৰৰ এই আশা ফলৱতী হ'ব পাৰে: কিন্তু তান্ত্ৰিক কুবৰে যদি জোৰ-জবৰদস্তীৰে বা তন্ত্ৰ-শক্তিৰ কোনোবা ধৰণৰ সামান্য অপ-প্ৰয়োগেৰেও ৰাজকুমাৰী স্বৰ্ণলতাক বিয়া কৰায়—তেতিয়া কুবৰৰ সমস্ত তন্ত্ৰ-শক্তি-

মুহূৰ্ততে লুপ্ত হৈ পৰিব।”

কুবৰে তেওঁৰ তন্ত্ৰ-শক্তিৰ প্ৰয়োগ কৰি অদৃশ্য অৱস্থাত অৱন্তীৰ ৰাজকুঁৱৰী স্বৰ্ণলতাৰ শয়ন কক্ষ পালেগৈ।

ৰাজকুঁৱৰী সুন্দৰীশ্ৰেষ্ঠা স্বৰ্ণলতা তেতিয়া দুগ্ধফেননিভ সুকোমল শয্যাত সুগভীৰ নিদ্ৰাৰে আচ্ছন্ন হৈ আছিল।

কুবৰে ৰাজকুঁৱৰী স্বৰ্ণলতাৰ অপাৰ-অপৰূপ সৌন্দৰ্য্যৰাশিলৈ চাই অপৰিসীম বিস্ময়ৰে সৈতে ভাবিলে: মই সমগ্ৰ পৃথিৱীৰ অধীশ্বৰ হ'বলৈ এওঁক বিবাহ কৰাব খুজিছিলোঁ, কিন্তু এই ভুৱনসুন্দৰী ৰাজকুঁৱৰী স্বৰ্ণলতাক তথা এনে অপাৰ-অপূৰ্ব ৰূপৰাশিক কেৱল পত্নী ৰূপে পোৱাটোৱেই দেখোন সসাগৰা পৃথিৱীৰ অধীশ্বৰ হোৱাৰ সমান!

বোৱাৰীপুৱাতে ৰাজকুঁৱৰীৰ নিদ্ৰাভংগ হ'ল, আৰু লগে লগে ইমানপৰে অদৃশ্য হৈ থকা তান্ত্ৰিক কুবৰও ৰাজকুঁৱৰীৰ আগত দৃশ্যমান হ'ল।

এনে আকস্মিক ভাৱে হঠাৎ শয়ন-কক্ষত এক সম্পূৰ্ণ অচিনাকি পুৰুষক থিয় হৈ থকা দেখা পাই ৰাজকুঁৱৰী স্বৰ্ণলতা ভয়তে ঠৰ লাগিল।

ৰাজকুঁৱৰীৰ ভীত-সন্ত্ৰস্ত অৱস্থা উমানতে ঠাৱৰ কৰিব পাৰি তান্ত্ৰিক কুবৰে ক'লে, “হে সুন্দৰি! ভীত হোৱাৰ কোনো আৱশ্যকতা নাই। মই তোমাৰ কোনো অনিষ্ট নকৰোঁ। তোমাক ভাল পাইহে মই অভাগাই তোমাৰ কাষ চাপিছোঁ।” এই বুলি কৈ, তান্ত্ৰিক কুবৰে ধীৰে-সুস্থিৰে আত্মপৰিচয় প্ৰদান কৰিলে।

কুবৰৰ সকলোখিনি কথা শুনাৰ অন্তত ৰাজকুঁৱৰী স্বৰ্ণলতাই ক'লে, “মই এখন দেশৰ ৰাজকুমাৰী, মোৰ বিবাহো কোনোবা ৰাজকুমাৰৰ সৈতেহে হ'ব। গতিকে — কোনো কাৰণতে কোনো অৱস্থাতেই তোমাৰ সৈতে মোৰ বিবাহৰ কোনো সম্ভাৱনা নেদেখোঁ।”

তান্ত্ৰিক কুবৰে হাঁহিল আৰু ক'লে, "তুমি মোৰ শক্তিৰ পৰিচয় নাজানা বুলিহে তেনেকৈ কৈছা ! লাগিলে তোমাক মই তোমাৰ এই অন্তঃপুৰৰে সৈতে য'লৈকে মন যায় লৈ যাব পাৰোঁ। যেইকোনো দেশৰ ৰাজকুমাৰীকে মই পদানত কৰিব পাৰোঁ। তুমি যদি মোক বিমুখ কৰাঁ—সুন্দৰীশ্ৰেষ্ঠা তোমাক আৰু এনেহেন মনোমোহা তোমালোকৰ ৰাজ্যখনবো মই ধ্বংস সাধিহে এৰিম।"

এই কথাত কিঞ্চিত বিচলিত হৈ ৰাজকুমাৰীয়ে ভয়ে ভয়ে আৰু প্ৰায় বাধ্যত পৰি ক'লে, "তুমি মোৰ প্ৰদত্ত তিনিটা চৰ্ত পালন কৰিব পাৰা যদি—তোমাক বিবাহ কৰাম।"

"কি কি চৰ্ত?"

"প্ৰথম চৰ্ত হ'ল—আমাৰ ৰাজ্যত দুই ধৰ্মাৱলম্বী মানুহৰ প্ৰাধান্য আৰু সেই কথাত অনৈক্য। এই অনৈক্য গুচাব লাগিব। দ্বিতীয় চৰ্ত হ'ল—আমাৰ দেউতাই, অৰ্থাৎ মহাৰাজে প্ৰজাৰ মংগলৰ বাবে অনেক আইন-কানুন ৰচিছিল আৰু সেই আইন-কানুনৰ সঠিক প্ৰয়োগৰ বাবে বহুসংখ্যক ৰাজকৰ্মচাৰীও নিযুক্ত কৰিছিল। কিন্তু সেই ৰাজকৰ্মচাৰীসকলৰ মাজত ভালেমানেই ভ্ৰষ্টাচাৰী হ'ল। এই ভ্ৰষ্টাচাৰ যেনেকৈয়েই নহওক—বন্ধ কৰিব লাগে। আৰু মোৰ তৃতীয় চৰ্ত হ'ল—নীহাৰ ৰাজ্যৰ নীচ তথা উৎপীড়ক যুৱৰাজৰ মানসিক পৰিৱৰ্তন সাধন। এই বৰ্বৰ-উৎপীড়ক ৰাজকুমাৰে মোক বিবাহ কৰাৰ মনেৰে আমাৰ দেউতাক হুমিয়াব ধৰিছে। ইয়াক এই অত্যাচাৰী নীচ-চৰিত্ৰ ৰাজকুমাৰক পোনাব লাগে. এই দুষ্টবো দুষ্ট ৰাজকুমাৰৰ মাজত যেনেতেনে গুণৰ স্ফুৰণ কৰিব লাগে।"

"কিন্তু—তোমাৰ চৰ্তবোৰ পূৰণ কৰিলে যে তুমি মোৰ বিয়া কৰাবা—তাৰ নিশ্চয়তা কি?"



কুবৰৰ এই প্ৰশ্নৰ উত্তৰত স্বৰ্ণলতাই মৃদু হাঁহিৰ আভাৰে মুখখন উজলাই ক'লে, "আমাৰ ৰাজ্যৰ মংগলৰ বাবে আনকি মহা দুষ্ট তথা নীচ বুলি জানিও নীহাৰ ৰাজ্যৰ যুৱৰাজক বিবাহ কৰাবলৈ মই মান্তি হৈছিলোঁ। তুমি যদি মোৰ চৰ্তবোৰ সঁচাসঁচিকৈ আৰু আন্তৰিকতাৰে পালন কৰিব পাৰা—কিয়নো তোমাক মই বিবাহ নকৰাম?"

"ঠিক আছে, এতিয়া মই বিদায় ল'ম। মই উভতি নহালৈকে তুমি কাকো বিবাহ নকৰাবা। মই তোমাৰ ডিঙিত এই মালাধাৰ পিন্ধাই থৈ গৈছোঁ। মোৰ বাহিৰে তোমাক যদি কু-অভিপ্ৰায়েৰে তোমক স্পৰ্শমাত্ৰ কৰে, এই মালাধাৰে সাপ হৈ তাক খুটি মাৰিব। মোৰ বাহিৰে কোনেও এই মালা তোমাৰ ডিঙিৰপৰা আঁতৰাবও নোৱাৰিব।" এই বুলি কৈ, মোতিৰ মালা এধাৰি স্বৰ্ণলতাৰ ডিঙিত পিন্ধাই থৈ তান্ত্ৰিক কুবৰ দপাট্‌কৈ তাৰপৰা ওলাই গুচি গ'ল।

*

তান্ত্ৰিক কুবৰে ধ্যান যোগে ক্ষুদ্ৰ দেৱতাসকলক মাতি আনি সকলো কথা খুলি-মেলি কলে। শুনি ক্ষুদ্ৰ দেৱতাসকলে কুবৰক ক'লে, "তোমাৰ এই আশা তথা কাৰ্য্য পূৰাবলৈ তুমি প্ৰেমদেৱীৰ আৰাধনা কৰাৰ বাহিৰে উপায় নেদেখোঁ। কাৰোবাৰ কোনোবাজনীৰ মন জয় কৰিবলৈ হ'লে অন্তৰত নিৰ্মল প্ৰেমৰ আৱশ্যক।"

তান্ত্ৰিক কুবৰ তৎক্ষণাৎ প্ৰেমদেৱীৰ আৰাধনাত বহিল। একেৰাহে আৰাধনা কৰি থকাৰ কেইদিনমানৰ অন্তত প্ৰেমদেৱীয়ে কুবৰক দেখা দিলে আৰু ক'লে, "হে কুবৰ, তুমি হ'লা অতি নীচ তথা স্বাৰ্থপৰ। তোমাত প্ৰেমৰ অংকুৰ সৃষ্টি হ'বলৈ যথেষ্ট সময়ৰ আৱশ্যক হ'ব। তোমাৰ কাৰ্যসিদ্ধিৰ বাবে মই তোমাৰ অন্তৰত আৱিষ্ট হৈ থাকিব পাৰোঁ। কিন্তু

তেতিয়া তুমি আৰু আজ্বিৰ এই অলৌকিক ক্ষমতাসম্পন্ন তান্ত্রিকজন হৈ নাথাকিবা।"

কুবৰ আনন্দৰে প্ৰেমদেৱীৰ কথাত সম্মত হ'ল।

তাৰ পাছত কুবৰ অৱন্তীৰাজ্যৰ প্ৰজাবৰ্গৰ মাজলৈ গ'ল আৰু নিজক দেৱতাৰ অংশ বুলি প্ৰচাৰ কৰিলে। কুবৰে বহু বিধৰ অলৌকিক ঘটনাৰ সৃষ্টি কৰি দেখুৱালে আৰু তাৰ ফলত প্ৰজা-ৰাইজ তেওঁৰ প্ৰতি আকৃষ্ট হ'ল। চাওঁতে চাওঁতে অৱন্তীৰ অসংখ্য প্ৰজা কুবৰৰ ভক্ত হৈ উঠিল।

কুবৰে ভালেমান ভাল ভাল কাম কৰিলে। দুখীয়া-ভুকীয়াহঁতক ধন-ধান দিলে। শুকান মাটিত পানী আনি দিলে, তাৰ ফলত বহুতৰে ছনপৰা মাটিতো লহপহীয়া শস্য উপজিল।

এতিয়া কুবৰৰ নাম অৱন্তীৰ চতুৰ্দিশত বৈ বৈ গ'ল। দলে দলে মানুহ-মুনিহ কুবৰৰ শিষ্যত্ব গ্ৰহণ কৰা হ'ল। এই শিষ্যহঁতৰ মাজত ভ্ৰষ্টাচাৰী ৰাজকৰ্মচাৰী-হঁতৰ সংখ্যাও কম নাছিল। এওঁলোকে নিজৰ নিজৰ ভ্ৰষ্টাচাৰৰ কথা নিজমুখে স্বীকাৰ কৰি ভ্ৰষ্টাচাৰৰ পাপৰপৰা মুক্ত হ'বলৈ সজপথলৈ খোজ ল'লে।

তাৰ পাছত কুবৰে বিভিন্ন ৰাজ্যত ভ্ৰমি ফুৰিবলৈ ধৰিলে আৰু গৈ গৈ এদিন নীহাৰ ৰাজ্য পালেগৈ। নীহাৰ ৰাজ্যৰ সেই মহাদুষ্ট যুৱৰাজেও কুবৰৰ শিষ্যত্ব গ্ৰহণ কৰি সজ বাটৰ বাটৰুৱা হ'বলৈ চেষ্টা কৰি থাকিল, নিজৰ নীচতাক শুধৰাই সৎ হ'বলৈ চেষ্টা কৰি থাকিল।

তাৰ পাছত এদিন কুবৰ স্বৰ্ণলতাৰ ওচৰলৈ আহিল। স্বৰ্ণলতাই কুবৰৰ আগত আঁঠু ল'লে আৰু ক'লে, "হে কুবৰ! তুমি কেৱল তান্ত্ৰিকেই নহয়, তুমি স্বয়ং ভগৱানৰ দূত। মোক ভাল পাই মোৰ কাৰণে তুমি যি অসাধ্য সাধিলা, সাধাৰণ মানৱ এজনৰ পক্ষে সি সম্ভৱ নহয়। তোমাক বিবাহ কৰাৰ পাৰোঁ যদি—মই মোক অপাৰ

ভাগ্যৱতী বুলি ভাবিম।”

কুবৰে মৃহুকৈ হাঁহিৰে ক'লে, “মই তোমাক বিবাহ কৰাবলৈ অহা নাই, ৰাজকুমাৰী! তোমাৰ ডিঙিৰপৰা মোতিৰ মালাধাৰ গুচাই তোমাক মুক্ত কৰিবলৈহে আহিলোঁ। — তুমি বিদেহ-যুৱৰাজ চিত্ৰসেনক যে ভাল পাইছিলা, কথাটো মোৰ অজানিত হৈ থকা নাই। 'তোমাৰ এই মৰম মই নষ্ট নকৰোঁ, বৰঞ্চ তোমাৰ প্ৰতি প্ৰেমেৰে সহায়হে কৰিম।” এই বুলি কৈ, ৰাজকুঁৱৰীৰ কণ্ঠৰপৰা মালাধাৰ গুচাই তান্ত্ৰিক কুবৰ প্ৰশান্ত মনেৰে তাৰপৰা বিদায় লৈ গুচি গ'ল।

এই কাহিনীৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, “হে ৰাজন্! ইমান কষ্ট কৰি, ক্ষুদ্ৰ দেৱতাসকলৰ তথা প্ৰেমদেৱীৰ সহায়তাৰে কুবৰে অসাধ্য সাধন কৰি ৰাজকুঁৱৰী স্বৰ্ণলতাৰ চৰ্তবোৰ আখৰে আখৰে পালন কৰিও স্বৰ্ণলতাক বিবাহ নকৰালে কিয়? কিয় ইমান সুবিধা পায়ো কুবৰ সসাগৰা পৃথিৱীৰ অধীশ্বৰ নহ'ল? মোৰ এই প্ৰশ্নৰ উত্তৰ যদি জানিও সঠিককৈ নোকোৱা, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।”

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, “আগতে কুবৰ তান্ত্ৰিক আছিল মহাশক্তিধৰ, কিন্তু নিৰ্মম আৰু প্ৰেমহীন স্বাৰ্থপৰ। পাছত ক্ষুদ্ৰ দেৱতাসকলৰ দিহা-পৰামৰ্শত যেতিয়া প্ৰেমদেৱীৰ আৰাধনা কৰিলে আৰু প্ৰেমদেৱীয়ে নিৰ্মম তান্ত্ৰিক কুবৰৰ অন্তৰত প্ৰেম-সঞ্চাৰ কৰিলে, তেতিয়া কুবৰৰ অন্তৰত বিশ্বৰ অধীশ্বৰৰ বাসনা বিলুপ্তি হ'ল আৰু কুবৰ হৈ উঠিল বিশ্বৰ যিকোনো অধীশ্বৰতকৈও মহান—বিশ্বপ্ৰেমিক।

এই উত্তৰ শুনাৰ লগে লগেই বেতালে শ'টোৰে সৈতে পুনৰ সেই গছজোপাৰ ডালত ওলমি দিলে। [কল্পিত



চান্দমামা

ক্ৰোড়পত্ৰ-৪৬

ভাৰতৰ পশু-পক্ষী ঃ

ক'লা হৰিণা

আমাৰ দেশত মুঠমাঠ চাৰিবিধৰ হৰিণা পৰিলক্ষিত হয় ঃ চিকাৰা, ব্লাক্ বাক্, চৌশিংগা আৰু নীলগাই। ব্লাক্ বাক্ মানে ক'লা বৰণৰ হৰিণা আৰু চৌশিংগা মানে হ'ল চাৰিশিঙীয়া হৰিণা। নীলগাই নামৰ হৰিণাৰ গাৰ বৰণ নীলা। এই চাৰিওবিধৰ হৰিণাৰ মাজত 'ব্ল্যাক বাক্' নামৰ ক'লা হৰিণা দেখাত অপৰূপ আৰু ভাৰতত 'অ্যান্টিলোপ সেৰ্বিয়াকাপ্ৰা' জাতিৰ একমাত্ৰ প্ৰতিনিধি। ইয়াৰ সম্পূৰ্ণ দেহ ক'লা আৰু বগা ৰঙৰ সমাহাৰ, আৰু হৈছে অত্যন্ত আকৰ্ষণীয়। এইবিধ হৰিণাৰ উচ্চতা ৪০ ছেন্টিমিটাৰ আৰু ওজন ৪০ কিল'গ্ৰাম। চকু যুৰি দৰ্শনীয়-মোহনীয়; কিন্তু ইয়াৰ ঘ্ৰাণশক্তি দুৰ্বল। এসময়ত এইবিধ হৰিণা সমগ্ৰ ভাৰততে পৰিলক্ষিত হৈছিল। কিন্তু সম্প্ৰতি গুজৰাট, ৰাজস্থান আৰু পঞ্জাবতহে পৰিলক্ষিত হয়। ভাৰতৰ দক্ষিণভাগত, তামিলনাডুত 'গিন্দি ন্যাশ্বানাল পাৰ্ক'ত ক'লা হৰিণা পৰিদৃষ্ট হয়। ১৯২৪ চনত তদানীন্তন মাদ্ৰাজৰ গাভাৰ্নাৰে এইবিধ ক'লা হৰিণা এই পাৰ্কত সংৰক্ষিত কৰিছিল।

কথা-নিপুণ-কণমানি !

মাদ্ৰাজৰ বাতৰি-কাকত এখনে কথা-কাহিনী শুনা-বলৈ সৰু সৰু ল'ৰা-ছোৱালীহঁতৰ মাজত এখন প্ৰতিযোগিতা পাতিছিল। এই প্ৰতিযোগিতাত প্ৰায় ৯০০ ল'ৰা-ছোৱালীয়ে ভাগ লৈছিল। প্ৰাথমিক বাছনিৰে ৫০ জনক কথা-নিপুণ হিচাপে বাছি উলিউৱা হৈছিল আৰু এই পঞ্চাছৰপৰা চালি জাৰি মূঠেই ১৩ জনক প্ৰকৃত

কথা-নিপুণ হিচাপে লোৱা হৈছিল আৰু পুৰস্কৃত কৰা হৈছিল। এই পুৰস্কাৰপ্ৰাপ্তহঁতৰ মাজত থকা পাঁচ বছৰীয়া ল'ৰা দীপক শ্ৰীনিবাসনও এটি। কথা মাথোন সিমানেই নহয়—দীপক হ'ল বিকলাংগ। দীপক হ'ল স্প্যাস্টিকৃহ্।

দীপকে এই প্ৰতিযোগিতাত তেনালিৰাম আৰু বীৰবলৰ কাহিনী উৎসাহৰে তথা অতি নিপুণতাৰে কৈছিল। দীপক আছিল পুৰস্কাৰ-বিজয়ীহঁতৰ এজন।

'স্প্যাস্টিকৃচ ছোচাইটি অভ্ ইণ্ডিয়া'ই মাদ্ৰাজত চলাই থকা শিক্ষাকেন্দ্ৰত দীপকে শিক্ষা গ্ৰহণ কৰিছিল আৰু সেই শিক্ষা কেন্দ্ৰৰ সকলো শিক্ষাৰ্থীৰ মাজত দীপকক সৰ্বশ্ৰেষ্ঠ শিক্ষাৰ্থী বুলি কোৱা হৈছিল। দীপকে প্ৰতিদিন সেই শিক্ষা-কেন্দ্ৰলৈ গৈ শিক্ষা গ্ৰহণ কৰে। সেই শিক্ষাকেন্দ্ৰৰ অন্যান্য বিকলাংগ শিক্ষাৰ্থীয়ে যেতিয়া দুখ-বেদনাৰে মুহ্যমান হৈ থাকে, তেতিয়া দীপক হৈ থাকে হাঁহিৰে ভৰপূৰ। ঘৰতো দীপক সদা-প্ৰফুল্ল হৈ থকা হয়। দীপকৰ স্মৃতিশক্তিও অতি প্ৰখৰ আৰু পৃথিৱীৰ ক'ত কি হৈছে-নহৈছে সেইবোৰতো সি অতি তীখৰ।

দীপকৰ বয়স মাত্ৰ পাঁচ, কিন্তু সিহঁতৰ ঘৰলৈ অহা আলহীসকলৰ নাম-ধাম মনত ৰখাত সি পাৰ্গত। সি ক্ৰিকেট, টেনিছ আৰু ফুটবল খেলা চাই ভাল পায়। তাৰ প্ৰিয় খেলুৱৈ কপিলদেৱ।

প্ৰচণ্ড প্ৰখৰ মেধাযুক্ত এই বালকৰ দুৰ্ভাগ্য, সি নিজৰ হাতেৰে একো লিখিব নোৱাৰে। নিজ হাতেৰে লিখিব পৰাহেঁতেন, নিশ্চয় লেখক হিচাপেও দীপক দীপৰদৰে উজ্বলি উঠিলহেঁতেন।

আমি জানোনে ?

১. সৰ্বপ্ৰথম 'সাহিত্য-সন্মিলন' কোনখন নগৰত পতা হৈছিল ?
২. সৰ্বপ্ৰথম 'হিন্দী ৰামায়ণ' কোনে ৰচিছিল ?
৩. কলিকতাস্থিত 'বোটানিক্যাল গাৰ্ডেন্স'ৰ বিশেষত্ব কি ?
৪. এটি কবিতাত পিতা-পুত্ৰৰ মাজত যুদ্ধ হৈছিল, আৰু পৰস্পৰৰ পৰিচয় অজ্ঞাত অৱস্থাতে পিতৃৰ হাতত পুত্ৰৰ পুত্ৰৰ হাতত পিতৃৰ মৃত্যু হৈছিল। এওঁলোকৰ নাম ?
৫. আমাৰ দেশৰ নৱম লোকসভা নিৰ্বাচনত কেনেকুৱা বিশেষত্ব পৰিলক্ষিত হৈছিল ?
৬. জৱহৰলাল নেহৰু কিমান বাৰলৈ কংগ্ৰেছৰ অধ্যক্ষ নিৰ্বাচিত হৈছিল ?
৭. ইংৰাজিৰ ২৬টি আখৰ। আন দুটা ইউৰোপীয় ভাষাৰো ২৬টিকৈ আখৰ। সেই দুটা ভাষাৰ নাম কি ?
৮. সিংহলীয় বীৰ এগৰাকীয়ে ৰামনাদৰ চোল ৰজাক পৰাজিত কৰি মাদুৰাত পাণ্ড্য-ৰাজত্বৰ প্ৰতিষ্ঠা কৰিছিলহি। তেওঁ কোন ?
৯. দিল্লীৰ ছুলতান এগৰাকীয়ে 'পোলো' খেলি থাকোঁতে সিফলীয়া হৈছিল। তেওঁ কোন আছিল ?
১০. মহাৰাজ ৰণজিত সিংহই অত্যন্ত মৰম কৰা অশ্বটোৰ নাম কি ?
১১. গংগা আৰু যমুনাৰ লগত, কুম্ভমেলাৰ লগত সম্পৰ্কিত তিনিখন পবিত্ৰ নদীৰ নাম কি ?
১২. দুগৰাকী শিখগুৰুৰ জন্মদিনৰ উছৱ শিখসকলে ধুমধামেৰে পালন কৰে। সেই শিখগুৰু দুগৰাকী কোন কোন ?
১৩. 'বুল ফাইট'ত যেতিয়া ম্যাটাডোৰ বিজয়ী হ'ব তেতিয়া পুৰস্কাৰ হিচাপে কি পাব ?
১৪. বাংগালোৰৰ 'শাশ্বতী মিউজিয়াম'ৰ বিশেষত্ব কি ?
১৫. ভাৰতৰ সৰ্বপ্ৰথম 'আৰ্চ বিশপ' কোন আছিল ?

উত্তৰ

১. মাদুৰাই, তামিল সংগম।
২. তুলসীদাস—ৰামচৰিতমানস।
৩. এছিয়াত আটাইতকৈ বৃহং।
৪. ছোহৰাব আৰু ৰুস্তম, (ম্যাথিউ আৰ্নল্ড-ৰচিত) 'ছোহৰাব মিট্‌ছ্ ৰুস্তম'ৰ চৰিত্ৰদ্বয়।
৫. ১৮ বছৰ বয়সত ভোটাধিকাৰ আৰু কোনো দলে সংখ্যাধিক্য নোপোৱাত বাদুলি ওলোমা (হাং) পাৰ্লামেণ্ট।
৬. সাত বাৰ।
৭. জাৰ্মান আৰু ডাচ্ছ্।
৮. পৰক্ৰম বাহু।
৯. কুতুবদ্দীন আইবক।
১০. লৈলি।
১১. নৰ্মদা, কাবেৰী আৰু গোদাৱৰী।
১২. গুৰু নানকদেৱ আৰু গুৰু গোবিন্দসিংহ।
১৩. বলদৰ দুখন কাণ আৰু নেজ।
১৪. ভাৰতৰ প্ৰথম নাৰী-মিউজিয়াম।
১৫. বিশ্বপ জুৱান ড আলবুকাৰ্ক্।

সম্বাদ-বি-সম্বাদ

ডাকটিকেটৰ কিমান দাম!

বিশিষ্ট—কিন্তু বিৰল ডাক-টিকেট উচ্চ মূল্যত বিক্ৰি হয়েই। সত্যহতে ইংল্যাণ্ডৰ ভূতপূৰ্ব ৰজা সপ্তম এডওৱাৰ্ডৰ চিত্ৰ থকা ১৯০৪ চনত মুদ্ৰিত এখন দুষ্প্ৰাপ্য ডাক-টিকেট ৫৬,০০০ আমেৰিকান ডলাৰ মূল্যত বিক্ৰি হ'ল। বিংশ শতিকাত অত্যধিক মূল্য প্ৰাপ্ত এই ডাক-টিকেটখন ছুইজাৰ-ল্যাণ্ডৰ ডাকটিকেটপ্ৰেমী এগৰাকীয়ে কিনিলে।



বাল্‌ব্ এটা কিমান দিন টিকে?

বহু বছৰ ধৰি গৱেষণাৰ অন্তত ক্যালিফ'ৰ্নিয়াৰ কম্প্যানি এটাই এনেকুৱা এবিধ বাল্‌ব্ অৰ্থাৎ বিজুলী-চাকি নিৰ্মাণ কৰিব পৰা হৈছে, যিবোৰ বাল্‌ব্ একেৰাহে ২০,০০০ ঘণ্টালৈকে জ্বলি থাকিব। এইবিধ বাল্‌ব 'ই-লাইট'—দিনে তিনিঘণ্টাকৈ জ্বলালে, ১৮ বছৰলৈ জ্বলি থাকিব!

খাল এটাৰ কিমান গুণ!

ভূমধ্য সাগৰ আৰু ৰেড্ ছী অৰ্থাৎ 'ৰঙা সাগৰ'ক লগ লগোৱা 'ছুৱেজ ক্যানাল'ৰ গভীৰতা হ'ল ১৮ মিটাৰ। সম্প্ৰতি এই গভীৰতাক ২২ মিটাৰ-লৈকো কৰিবলৈ কাম আৰম্ভ কৰা হৈছে। এই কাম সমাপ্ত হোৱাৰ অন্তত বৰ্তমানে বাধ্যত পৰি আফ্ৰিকাৰ উপকূল পৰিক্ৰমা কৰি থকা ডাঙৰ জাহাজে অ'লৈ ত'লৈ যাবলৈ বাট বহুল পৰিমাণে চমুৱাব পাৰিব আৰু তাৰ ফলত সময়, ধন আৰু বিশেষকৈ ইন্ধনৰ প্ৰচুৰ সাশ্ৰয় হ'ব।



বহি-খোৱা ফুকন

সুদৰ্শন অধ্যাপক ৰতনপুৰ গাঁৱলৈ আহিল অধ্যাপনাৰ কাম লৈ। সুদৰ্শন ইয়াত নতুন, গাঁৱৰ আও-ভাও নজনা। তেওঁ পোনে পোনেই গাঁৱৰ জমিদাৰে অধ্যাপক সুদৰ্শনৰ থকা-মেলাৰ বাবে ঘৰৰ বন্দবস্ত কৰি দিলে। এইখিনি কৰি দিয়াত জমিদাৰে বৰ বেছি খৰখেদা বা হৈ-চৈ একোৱেই নকৰিলে। সুদৰ্শনৰ ধাৰণা হ'ল যে—এইজন জমিদাৰ অতি খামিডাঠ গম্ভীৰ-গহীন প্ৰকৃতিৰ তথা অত্যন্ত আমঠ-বিধৰ মানুহ।

সুদৰ্শন অধ্যাপক ইয়ালৈ অহাৰ এসপ্তাহৰ অন্তত ইয়াত গণেশ-চতুৰ্থীৰ উছৱ আৰম্ভ হ'ল। উছৱৰ আগৰ দিনৰে-পৰাই বৰষুণে জাগন পাতিলে, ডবা-পিটা বৰষুণ দি থাকিল। উছৱৰ দিনা বৰষুণ অৱশ্যে নোহোৱা হ'ল, কিন্তু বাটে-পথে ঠায়ে ঠায়ে আঁঠুলৈকো পানী গোট মাৰি থকাত গণেশ-চতুৰ্থীৰ উছৱ উপলক্ষ্যে মানুহ-মুনিহ যিমান ওলাব লাগিছিল সিমানকৈ নোলাল।

বাটৰ দাঁতিত গণেশ সৰু-ডাঙৰ মূৰ্তি আৰু ফুল-পাতৰ সম্ভাৰেৰে পোহাৰ সজাই লৈ বেচোঁতাইঁত গ্ৰাহকৰ বাট চাই ৰৈ থাকি থাকিচকু বিষাইছিল। বেচোঁতাইঁত চেঁচা বতাহৰ কোবত ঠিৰ ঠিৰকৈ কঁপি আছিল. গ্ৰাহকৰহে দেখাদেখি নাছিল।

উছৱৰ ৰেহ-ৰূপ চাবলৈ সুদৰ্শনও ঘৰৰপৰা ওলাই আহিছিল। দহবছৰীয়া ল'ৰাৰপৰা ষাঠি বছৰীয়া বুঢ়াকো গণেশ-মূৰ্তি আৰু ফল-ফুল বেচোঁতা হিচাপে ৰৈ থকা আৰু জাৰত কঁপি থকা দেখা পাই

সুপৰ্ণা শৰ্মা



সুদৰ্শন ব্যথিত হ'ল।

ভালেখিনি সময় পাৰ হ'ল, কিন্তু দুই-এজন গ্ৰাহকৰ বাহিৰে বিশেষ কাকো সুদৰ্শনে দেখা নাপালে। মানুহৰ ঘঞ্চাল প্ৰায় নায়েই। এনেতে এটা অদ্ভুত দৃশ্য চাই অধ্যাপক সুদৰ্শন হতবাক হ'ল। স্বয়ং জমিদাৰে অসম্ভৱ ভাবে দৰাই এই মূৰ্তি আৰু ফল-ফুল বেচোঁতাহঁতৰপৰা সেইবোৰ ফল-ফুল মূৰ্তি এফালৰপৰা কিনিব ধৰিছে।

কিন্তু জমিদাৰে যেতিয়া এটি অতি সৰু ল'ৰাৰপৰাও অতি কুৎসিতভাবে দৰাই এইবোৰ বস্তু কিনিলে, তেতিয়া অধ্যাপক সুদৰ্শনৰ জমিদাৰৰ প্ৰতি ঘৃণা উপজিল। দুখীয়াসকলৰ প্ৰতি জমিদাৰৰ কিমান যে নিৰ্মম আচৰণ।

এইদৰে, তাত এইবোৰ দ্ৰব্য-সামগ্ৰী লৈ পোহাৰ সজাই বহাহঁতৰ সামগ্ৰীবোৰ জমিদাৰে সস্তা দামত কিনি ল'লে আৰু তেওঁৰ চাকৰ-নাকৰবোৰে সেইবোৰ দ'মাই গাড়ীত উঠাই লৈ খোজ ল'লে।

এনেকৈ—আটাইবোৰ মূৰ্তি আৰু ফল ফুলেৰে জমিদাৰে কি কৰিব অধ্যাপক সুদৰ্শনে ভাবি উলিয়াব নোৱাৰিলে। সুদৰ্শনে ভাবিলে: জমিদাৰে তেওঁৰ চাকৰ-নাকৰবিলাকৰ হতুৱাই এইবোৰ আন ক'ৰবাত বেচি নিশ্চয় লাভ কৰিব।

তেতিয়াই আন এজন অধ্যাপকও তাত ওলালহি। পূজাৰ বাবে কিছু-কিঞ্চিত দ্ৰব্য-সামগ্ৰী তেওঁকো লাগে। সুদৰ্শনে এইজন অধ্যাপকক জমিদাৰৰ অন্যায় তথা নীচ আচৰণৰ কথা সবিস্তাৰে ক'লে আৰু কোৱাৰ অন্তত মন্তব্য কৰিলে, "যেতিয়া এই দুখীয়াবোৰ দুখীয়া বেচোঁতাহঁত জাৰত কঁপি আছিল কেৱল সামান্য লাভৰ আশাৰে, তেতিয়া জমিদাৰে সিহঁতৰ সেইকণ আশাৰে কুঠাৰাঘাত কৰাটো—অতি নীচ কাৰ্য্য বুলি নকৈ নোৱাৰোঁ।"

সুদৰ্শনৰ মন্তব্যত বেয়া পাই ইজন

অধ্যাপকে ক'লে, "আপুনি অন্ততঃপক্ষে এইগৰাকী জমিদাৰৰ সম্পৰ্কে এনেবোৰ অপমানজনক মন্তব্য নকৰাই ভাল বুলি ভাবোঁ। এওঁক আমাৰ জীৱন্ত ঈশ্বৰ বুলিলেও বঢ়াই কোৱা নহয়।"

"হয়নে —?" সুদৰ্শন অধ্যাপকে ইতিকিঙৰ সুৰতে ক'কে, "ঈশ্বৰে যে দুখীয়াৰ ডিঙিত টিপা মাৰি ধৰে—এই সাৰ কথাটো আগে নাজানিছিলোঁ।"

ইজন অধ্যাপকে ইমানকে ক'লে, "ব'লক, জমিদাৰৰ ঘৰৰ ফালে এবাৰ আমি যাওঁ ব'লক।"



সুদৰ্শন অধ্যাপকে আপত্তি নকৰিলে। দুয়ো জমিদাৰৰ ঘৰলৈ বুলি আগ বাঢ়িল।

জমিদাৰৰ ঘৰ পাই—জমিদাৰে কিনি অনা গণেশৰ মূৰ্তি আৰু ফল-ফুলবোৰ এঠাই দ'মাই থোৱা দেখি সুদৰ্শন কিঞ্চিত অবাক হ'ল। জমিদাৰে দুয়োকো দেখা পাই আনন্দৰে কৈ উঠিল, "আঃ! মোৰ কি সৌভাগ্য! আপোনালোকৰ উপস্থিতি—অপ্ৰত্যাশিত উপস্থিতি। যি হওক—আপোনালোক তিতি গৈছে, কাপোৰ-কানিখিনি সলাই লওক।"

জমিদাৰৰ ইংগিতত তেওঁৰ মানুহ এজনে দুয়োজনৰ কাৰণে দুযোৰ নতুন কাপোৰ-কানি আনি দিলে, আৰু তপত গাখীৰ এগিলাছকৈ দিলে।

ভেবা লগা সুদৰ্শনে জমিদাৰক ক'লে, "মহোদয়, যদি বেয়া নাপায়—আপোনাক বিশেষ কথা এটা সুধিম।"

জমিদাৰৰ সন্মতি পাই সুদৰ্শনে সেই মূৰ্তি আৰু ফল-ফুলবোৰ ইমান বেয়াকৈ দৰাই দুখীয়াহঁতৰপৰা অতি সস্তাত কিনি লোৱাৰ কথাটো জমিদাৰক ক'লে।

শুনি জমিদাৰে হো হো কৰে হাঁহি হাঁহি ক'লে, "কাৰোবাৰ দুখত যে কোনোবাই সহায় কৰে—কথাটো আপুনি মানেনে নেমানে?"

"কিন্তু—এই কাৰ্য্যৰ নামেই সহায়নে?"

"নিশ্চয়। ইমান সঁতা ধৰা বাৰিযাত কোনেনো সিহঁতৰপৰা গণেশ মূৰ্তি আৰু ফল-ফুলবোৰ কিনিলেহেঁতেন — কওক-চোন ?" জমিদাৰে অধ্যাপক সুধিলে।

সুদৰ্শনে ক'লে, "তথাপি—আনকি সৰু সৰু ল'ৰা, বা বুঢ়া লোক সকলকো ঠেকত পেলাই সস্তাৰে বস্তু কিনাটো সমৰ্থন কৰিব নোৱাৰি। তাতকৈ—আপুনি সিহঁতক কিঞ্চিত ধনেৰে সহায় কৰিব পাৰিলেহেঁতেন কিজানি।"

জমিদাৰে মূৰ জোকাৰি ক'লে, "তেনেকুৱা কাম মই কেতিয়াও নকৰোঁ। সহায় কৰাৰ নামত সামান্য ধন দি মই ধোদামিৰ প্ৰশ্ৰয় দিব নোৱাৰোঁ। মই তেনেকৈ পাইচা-পাতি দিয়াহেঁতেন—এই দুখীয়াহঁতে কামলৈ নাচাই কেৱল দানলৈ চাইহে জীৱন কটালেহেঁতেন। আমাৰ ইয়াত উছৱ-পৰ্ৱত বৰষুণ দিয়াটো কোনো বিচিত্ৰ কথা নহয়। গতিকে—এই কাৰণত সকলোকে ধন-দান কৰিবলৈ হ'লে—বুজিছেই—মানুহখিনিক ভিক্ষাজীৱি কৰি তুলিব লাগিব। সিহঁতে সদায় এনেকুৱা অৱস্থাৰ সন্মুখীন নহয়, কাচিৎ-কেতিয়াবাহে হয়। যিবছৰত কিবা কাৰণত সিহঁতৰ বস্তু-সামগ্ৰী বেচা নাযায়, কমেও সিহঁতৰ মূলধনখিনি উচুল হোৱাকৈ — গঁৱৰ জমিদাৰে কিনি লয়। জমিদাৰৰ কিছু লোকচান হয়, কিন্তু সিহঁতৰ মূলধনো লোকচান হোৱাৰপৰা ৰক্ষা পৰে। এতিয়া—ভাবি চাওক যে—শ্ৰমৰ দাম দিয়া ভালনে ধন দান কৰি এওঁলোকক বহি-খোৱা-ফুকন কৰি তোলা ভাল।"

তেতিয়াহে সুদৰ্শন অধ্যাপকৰ বাস্তৱ জ্ঞানোদয় হ'ল, আৰু তেওঁ তেওঁৰ কু-মন্তব্যৰ কাৰণে জমিদাৰৰ ডাঙৰীয়াৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি উপলব্ধি কৰিলে যে ইয়াকে বোলে বোকাৰ মাজত পদুম।



ভাজনৰ ভোজন

ৰহিমৰ জীয়েক ৰজিয়া আছিল বৰ খুবছুৰত জৱানী—চা.ল চকুৰৈ যোৱাবিধৰ যুৱতী। ৰহিমৰ সা-সম্পত্তিও ঢেৰ, কেইবা পুৰুষো ধৰি় শুই-বহি খালেও শেষ নোহোৱাবিধৰ।

কিন্তু ৰহিম আছিল অতি ৰহমদাৰ—দয়াৱান—আৰু ধৰ্মভীৰু মানুহ। যি আছে যা আছে—সকলো আল্লাহ্ ই দয়া কৰি দিয়া বুলি ৰহিমে আন্তৰিক ৷শ্বাস কৰিছিল, আৰু আল্লাহ্ ৰ কাৰণে জান্ কুৰবানি কৰিবলৈকো সাজু আছিল।

খুবছুৰত ৰজিয়াজনীক বেগম হিচাপে পাবলৈ আশা কৰি কত কত ঠাইৰপৰা কত যে নৌজোৱান—যুৱকইঁত আহিল-গ'ল; কিন্তু ৰহিমৰ কোনো এজনকো পছন্দ নহ'ল। জীয়েকৰ বাবে ৰহিমক লাগে অতি ভদ্ৰ বিনয়ী আৰু ধৰ্মভীৰু দামাদ—দৰাত যিজন দামাদ হ'ব লাগিব আল্লাহ্—তাল্লাহ্ ৰ খিদমদগাৰ—দাস তথা সেৱক।

এই. কথাত এদিন ৰাতিৰ পৰতে ৰহিমৰ বিবি — ঘৈণীয়েক —ছুলতানা ৰহিমা বেগমে তেওঁৰ মৰ্দ-গিৰিয়েক ৰহিমক ক'লে, "চাওক, তাইৰ কাৰণে বাছোঁতে গেলা বৰালিত হাত নপৰিলেই হৈছে।"

ৰহিমে ৰসতে নাম থোৱাৰ চেষ্টা দিলে, "হাৰে পাগলী ক'ৰবাৰ! আল্লাহ্ তাল্লাই আমাক ইমান৽ দিছে যে — আমাৰ লড়্কীৰ শ্বাদী হৈ যাব চকু মুদি। আমাৰ এইজনী খুবছুৰত লড়্কীক শ্বাদী দিবলৈ কোনো ৰইছ্—কোনো-আঢ্যৱন্ত ঘৰৰ দৰাও নেলাগে। লড়্কা — ল'ৰাটো ছুখীয়াৰো ছুখীয়া হওক, কিন্তু নেক্—ভদ্ৰ

হওক, খুদা কা শুক্ৰ্—খোদাৰ আদেশ-নির্দেশ মানি চলক — ইয়াকেহে মোক লাগে। মই এনেহেন দামাদৰ—এনেকুৱা জোঁৱাইৰ তালাছ কৰি আছোঁ। আল্লাহ্‌ৰ মৰ্জি হ'লে ৰজিয়াজনীক চাওঁতে চাওঁতেই টিকে-টুলিয়ে লগ লগাই দিয়া যাব।”

ঠিক সেই নিশা ৰহিমৰ ঘৰত চুৰি কৰিবলৈ নাছিৰ নামৰ চোৰ এটা সোমাইছিল, আৰু ৰহিম-ৰহিমাই আলচি-বিলচি থকা কথাখিনি শুনিছিল। শুনি চোৰটোৰ মনত দুৰাশাই মূৰ দাঙিলে।

পাছদিনা ধলপুৱাতে ৰহিম মছজিদলৈ গ'ল নমাজ পঢ়িবলৈ, আৰু নাছিৰ চোৰে ৰহিমতকৈও আগতে মছজিদলৈ গৈ নমাজ পঢ়ি আছিল। তাৰ পাছৰপৰা, ৰহিম যিদিনা-যেতিয়াই নমাজ পঢ়িবলৈ মছজিদলৈ যায়, তাত নাছিৰক নমাজ পঢ়ি থকা, উপাসনা কৰি থকা দেখা পায়।

এদিন ৰহিমে ভগৱদ্ভক্ত নাছিৰক সুধিলে, “বোপা, তুমিনো কোন? যোৱা পোন্ধৰ দিন ধৰি মই তোমাক মছজিদতে পৰি থকা দেখা পাইছোঁ। কথানো কি? ক'ৰপৰা আহিছা? ঘৰ ক'ত তোমাৰ?”

ৰহিমৰ প্ৰশ্নৰ উত্তৰত নাছিৰ চোৰে ক'লে, “মই এক বে-নছীৰ—অভাগা, হুজুৰ! মই যে ক'ৰ ময়েই নজানো। য'তে যেতিয়া থাকোঁ, তাতেই মোৰ ঘৰ।”

তোমাৰ খোৱা-লোৱাৰ ব্যৱস্থানো কি?” ৰহিমে সুধিলে।

“আল্লাহ্-তাল্লাহ্‌ৰ নামত যেতিয়া যি পাওঁ খাওঁ—নাপালে নাখাওঁ, তাৰ কাৰণে কোনো কষ্ট নাপাওঁ। — হে আল্লাহ! হে খুদা!” “নাছিৰে আল্লাহ্‌ৰ ত্ৰিসীমালৈকো নগৈ গড়গাঁৱৰ বাতৰি ক'লে।

কিন্তু চোৰৰ কথাত ৰহিম ভোল গ'ল। ৰহিমে ভাবিলে: ইমান কোমল বয়সতো ইয়াৰ কিমান যে কঠোৰ ঈশ্বৰ-ভকতি! ইমান দিনে মই মোৰ ধৈৰ্য্য ধাৰণ কৰাৰ ফল পালোঁ! মোৰ বেটীৰ বাবে যোগ্য

তুল্‌হা—বেহ্‌তৰ দৰা বিচাৰি পালোঁ !

সিদিনাৰেপৰাই ৰহিমে এই আল্লাহ্‌-আল্লাহ্‌ৰ খিদমঃ গাৰলৈ (সেৱক) নিজৰ ঘৰৰপৰা খানা (আহাৰ্য্য) পঠিয়াবলৈ ধৰিলে মছজিদলৈ।

এইদৰে প্ৰায় তিনিমাহমান উকলিল। নাছিৰ চোৰে বঢ়িয়াৰো বঢ়িয়া খানা খায়, আৰু আল্লাহ্‌লৈ প্ৰাৰ্থনা জনায়, নামাজ পঢ়ে, ধাৰ্মিক হাজী-মৌলবী-মুল্লাহ্‌হঁতৰপৰা ধৰ্মকথা শুনি দিন কটায়। আৰু—এনেকৈয়েই এদিন নাছিৰ চোৰ চোৰ গুচি প্ৰকৃততেই ঈশ্বৰ-ভক্তিৰ বাটলৈ খোজ লোৱা হয়। তাৰ মাজত প্ৰকৃততেই ভাব হয়ঃ এই জীৱনেই প্ৰকৃত জীৱন, ইয়াকে বোলে বিহিস্ত্‌ (স্বৰ্গ), চোৰৰ জীৱন হ'ল এক জীয়া দোজখ (নৰক)।

এদিন ৰহিমে নাছিৰক ক'লে "বোপা, তোমাক দেখিলেই মোৰ ভাল লাগি যায়। তোমাৰ নিচিনা ঈশ্বৰভক্ত এজনলৈ বাট চাই ইমান দিন ৰৈ আছিলোঁ মই। তুমি যদি মোৰ বেটীক ছাদী কৰা, মই অত্যন্ত ভাল পাম।"

হঠাৎ নাছিৰে ৰহিমৰ আগত আঁঠু ল'লে, আৰু তাৰ চোৰ-জীৱনৰ সকলো কথা—ৰহিম-ৰহিমাই সেইনিশা ৰজিয়াৰ বিয়াৰ বিষয়ে আলোচনাৰ কথা শুনি ৰজিয়াক বিয়া কৰাবলৈ সি যে আল্লাহ্‌ৰ খিদমদগাৰৰ ভাও জুৰিছিল—সেইবোৰ কথা—ৰহিমক অকপটে কৈ দিলে।

সকলো শুনি ৰহিমে ক'লে, "অজ্ঞান অৱস্থাত তুমি গুণাহ (অপৰাধ) কৰিছিলা, তাৰ পৰাচিতও কৰিলাই। তোমাৰ ক্ষেত্ৰত এই ভাও জোৰাটোৱেই হ'ল ভাজনৰ ভোজন। এতিয়া তুমি হ'লা কুন্দত কটা হীৰা। তোমাতকৈ নেক্‌ আৰু—পবিত্ৰ আৰু ভদ্ৰ আৰুনো ক'ত পাম?"

পৰৱৰ্তী জীৱনত নাছিৰে ৰহিমৰ এই বিশ্বাসৰ মৰ্য্যদা ৰক্ষা কৰিছিল।

সাজ চাই চাপৰি

বিৰামপুৰ গাঁৱৰ চাৰিআলিত পৰশুৱে এখন জোতাৰ দোকান পাতিলে। জোতা কিনিবলৈ গ্ৰাহক আহিছিল, কিন্তু সেই গ্ৰাহকবিলাকে জোতাবোৰ চাই ভাল পায়ো নিকিনাকৈয়েই গুচি গৈছিল। দোকান আছে গাহাক নাই—এই কথাত পৰশু বৰ চিন্তাত পৰিছিল। কেনেকৈ কি কৰা যাব, দোকানত বেচা-কিনা কেনেকৈ হ'ব।

এদিন এজন মানুহ পৰশুৰ দোকানলৈ আহিল আৰু মানুহজনে ভাল চাই জোতা এযোৰ বাছি উলিয়াই ভৰিত পিন্ধি অলপ কাপ খাই পৰা যেন পালে—টানকৈ লাগি ধৰিছে।

গ্ৰাহকজনে এই কথা কৈ যেতিয়া দোকানৰপৰা ওলাই যাবলৈ ধৰিলে, তেতিয়া তেওঁক ৰখাই পৰশুৱে ক'লে, "নতুন জোতা—এনেকুৱা হ'বই। পিন্ধি অলপ চলা-ফুৰা কৰিলেই চাব—ঢিলা হৈ যাব আৰু তেতিয়া আপোনাৰ ভৰিত বৰ আৰামদাৰ জোতা হ'ব এইযোৰ। এতিয়া যদি সঠিক জোখৰ লয়, পাছত আৰু ঢিলা হৈ ডাঙৰ হৈ যাব।"

কথাটো সঁচা যেনেই লাগিল গ্ৰাহকজনৰ। তেওঁ কাপ খাইপৰা জোতাযোৰকে কিনি লৈ গুচি গ'ল।

পাছদিনা আন এজন গ্ৰাহক আহিল—তেওঁৰ ল'ৰাটোৰ কাৰণে জোতা এযোৰ লাগে। যিযোৰ পছন্দ হ'ল, ল'ৰাটোৰ ভৰিত পিন্ধাই চালে, আৰু তাৰ পাছত ক'লে, "বৰ ঢিলা হৈছে, নেলাগে এইযোৰ, ভৰিত ঠিকমতে খোৱা নাই—।"

পৰশুৱে কৈ উঠিল, "চাওক, আপোনাৰ ল'ৰাটি—দিন যাব ডাঙৰ হ'ব, গতিকে—সামান্য ঢিলা জোতা ল'লেহে ভাল হ'ব। এতিয়াই যদি একেবাৰে খাঁজে-খোপে লয়—সামান্য কিছুদিনৰ পাছতে চুটি হৈ নাযাবনে?"

"ওঁ—ওঁ, আপুনি হওঁতে ঠিকেই কৈছে। কথাটো মই ভবাই নাছিলোঁ।" এই বুলি কৈ, মানুহজনে সেই ঢিলা জোতাযোৰকে কিনি লৈ গ'ল।

এতিয়াহে পৰশুৱে আচল কথাটো গমিলে যে—কেৱল বস্তু-সামগ্ৰী থাকিলেই দোকান নচলে, মুখৰ মেহাৰেৰেও মানুহৰ মন মুহিব পৰা হ'ব লাগে। সাজ চাই চাপৰি বাব লাগে।

—বীণা চৌধুৰী

বীৰ হনুমান

২৭

হেজাৰ-বিজাৰ বানৰসৈন্য কুম্ভকৰ্ণৰ ওপৰলৈ জঁপিয়াই পৰিল। বানৰবোৰে কুম্ভকৰ্ণক আঁচুৰি-কামুৰি তৰ্নাস্তি কৰিবলৈ ধৰিসে; কিন্তু তাৰে কম্ভকৰ্ণ অলপো বিচলিত নহ'ল। কুম্ভকৰ্ণই একেদৰেই বানৰকুল ধ্বংস কৰি থাকিল। এই কথাটো স্পষ্ট হৈ উঠিল যে—এইদৰে কুম্ভকৰ্ণক কোনো ধৰণৰ কোনো শিক্ষা দিয়াটো একেবাৰে অসম্ভৱ কথা।

অংগদ আৰু সুগ্ৰীৱেও কুম্ভকৰ্ণৰ ওপৰলৈ পাহাৰ নিক্ষেপ কৰিলে; কিন্তু তথাপি কুম্ভকৰ্ণৰ নোম এডালিও লৰাব নোৱাৰি হয়ো হতাশ হ'ল। কুম্ভকৰ্ণই সুগ্ৰীৱলৈ টোঁৱাই শূল নিক্ষেপ কৰিলে কিন্তু হনুমানে সেই শূল থাপ মাৰি ধৰি ভাঙি টুটুকুৰা কৰি পেলালে আৰু এই দৃশ্য চাই বানৰহঁতে তিনি জাঁপ মাৰি দিলে। তেতিয়া কুম্ভকৰ্ণয়ে এটা পৰ্বত-চূড়া উপাৰি আনি সুগ্ৰীৱলৈ দলিয়ালে, আৰু তাৰ ফলত সুগ্ৰীৱ তৎক্ষণাৎ মূৰ্ছিত হৈ ভূমিলৈ বাগৰি পৰিল।

কুম্ভকৰ্ণ-ই ভাবিলে: মূৰ্ছকঁছ যোৱা এই সুগ্ৰীৱটোক মই যদি ইয়াৰপৰা লৈ যাওঁ, তেনেহ'লে বান্দৰবিলাকে, আৰু লগতে ৰাম-লক্ষ্মণেও নিশ্চয় ভয় খাব আৰু ৰণথলী এৰি পলাব। এই কথা ভাবি কুম্ভকৰ্ণই মূৰ্ছিত সুগ্ৰীৱক যুদ্ধক্ষেত্ৰৰপৰা অপহৰণ কৰি লংকাপুৰীৰ ভিতৰলৈ

'ৰাম-লক্ষ্মণৰ মূৰ্চ্ছা'

বানৰে নেদেখা ঠাইলৈ লৈ গ'ল।

কিন্তু এইবোৰ কথা-কাণ্ড দেখিও হনুমান সামান্য ধৰণেও বিচলিত নহ'ল। সুগ্ৰীৱে যে এসময়ত চেতনা ঘূৰাই পাব, আৰু কুম্ভকৰ্ণৰ তথা ৰাক্ষসহঁতৰ কবলৰপৰা পলাই আহিব পাৰিবই, সেই কথাত হনুমান নিঃচিন্ত।

তেতিয়া হনুমানে আহত তথা ভীত বানৰ সৈন্যবিলাকক যথোচিতভাৱে অভয় দান আৰু উৎসাহ দান কৰি থাকিল।

হনুমানে ভৱামতেই কাম হ'ল। সুগ্ৰীৱে চেতনা ঘূৰাই পায়েই কুম্ভকৰ্ণৰ কাণ আৰু নাক কাটি দিলে। লগে লগে কুম্ভকৰ্ণ-ই সুগ্ৰীৱক মাটিলৈ আচোট মাৰি পেলালে আৰু সুগ্ৰীৱে দপাট্‌কৈ আকাশলৈ উৰা মাৰি পোনে পোনেই শ্ৰীৰামচন্দ্ৰৰ কাষ পালেগৈ।

সুগ্ৰীৱ যেতিয়া মুঠিৰপৰা পলাই গ'ল, তেতিয়া আশাহত কুম্ভকৰ্ণ পুনৰ ৰণক্ষেত্ৰলৈ চলিল।

কুম্ভকৰ্ণই যেতিয়া ৰণক্ষেত্ৰ পালেগৈ, লক্ষ্মণ আগুৱাই আহিল কুম্ভকৰ্ণৰ বিৰুদ্ধে ৰণ দিবলৈ। লক্ষ্মণে কুম্ভকৰ্ণ-লৈ অসংখ্য বাণ এৰিবলৈ ধৰিলে। কিন্তু কুম্ভকৰ্ণই এইবোৰ কাঁড়-তীৰলৈ ভ্ৰূক্ষেপো নকৰি ৰামচন্দ্ৰৰ সৈতে সন্মুখসমৰ কৰিবলৈ -অকুতোভয়ে তথা বীৰদৰ্পে আগুৱাই গৈ থাকিল।

শ্ৰীৰামচন্দ্ৰই কুম্ভকৰ্ণক ক'লে, "হে কুম্ভকৰ্ণ, তুমি ইন্দ্ৰকো পৰাজিত কৰি-ছিলা, হয়, কিন্তু মই ইন্দ্ৰ নহওঁ, মই হ'লোঁ ৰাম। মই যদি ইচ্ছা কৰোঁ— তোমাক মই পলকতে বধিব পাৰোঁ।"

"হে ৰামচন্দ্ৰ! মই বালী—বা মাৰচী নহওঁ—মই হ'লোঁ কুম্ভকৰ্ণ। তুমি— 'তোমাৰ যিমান পৰাক্ৰম আছে, মোৰ ওপৰত প্ৰদৰ্শন কৰা! তাৰ পাছত তোমাক মই টকালি পাৰি পাৰি ভক্ষণ কৰিম. তোমাৰ তপতে তপত তেজ পি খাম।"

কুম্ভকৰ্ণই ৰামচন্দ্ৰক ক'লে।

বালীক বধিবলৈ যি বাণ ৰামচন্দ্ৰই প্ৰয়োগ কৰিছিল, সেই বাণ কুম্ভকৰ্ণ-লৈ মাৰি পঠিয়ালে। কিন্তু তাৰে কুম্ভকৰ্ণৰ সামান্যতম অনিষ্টও নহ'ল। তেতিয়া ৰামচন্দ্ৰই কুম্ভকৰ্ণৰ ওপৰলৈ বায়ব্যাস্ত্ৰ প্ৰয়োগ কৰিলে আৰু এই শক্তিশালী বায়ব্যাস্ত্ৰ প্ৰয়োগ কৰাৰ ফলত কুম্ভকৰ্ণৰ এখন হাত বিৰাট গদাৰে সৈতে কাটি টুটুকুৰা হৈ পৰিল।

কুম্ভকৰ্ণই আটাহ পাৰি উঠিল আৰু আনখন হাতেৰে বিৰাট বৃক্ষ এজোপা উপাৰি আনি ৰামৰ সৈতে যুঁজিবলৈ পুনৰ আগুৱাই গ'ল। এইবাৰ ৰামচন্দ্ৰই ইন্দ্ৰাস্ত্ৰ প্ৰয়োগ কৰি কুম্ভকৰ্ণৰ দ্বিতীয়খন হাতও দ্বিখণ্ডিত কৰিলে।

আৰু তাৰ কেইমুহূৰ্তমানৰ পাছত দশৰথপুত্ৰ ৰামচন্দ্ৰই কুম্ভকৰ্ণৰ পদদ্বয়ও যেতিয়া কাটি পেলালে, তেতিয়া সেই পৰ্বতসম দেহস্থ কণ্ঠৰপৰা যি আৰ্তনাদ ওলাই আহিল, তাৰে সমগ্ৰ লংকাপুৰী প্ৰকম্পিত হৈ উঠিল। অৱশেষত—এই মৃত্যু-আৰ্তনাদ সহিব নোৱাৰি শ্ৰীৰামচন্দ্ৰই কুম্ভকৰ্ণৰ মস্তকও এক অব্যৰ্থ বাণেৰে দ্বিখণ্ডিত কৰিলে আৰু এইদৰে তেওঁক মৃত্যু-যাতনাৰপৰা মুক্তি দিলে।

কুম্ভকৰ্ণৰ মৃত্যুৱে সমগ্ৰ ৰাক্ষসকুলক ভীত আৰু শোকাৰ্ত কৰি তুলিলে। লংকাপুৰীৰ চতুৰ্দিশত ক্ৰন্দনৰোল ধ্বনিত হৈ থাকিল।

কুম্ভকৰ্ণৰ এনে অভাৱিত মৃত্যুসম্বাদ শ্ৰৱণ কৰি বেদনাৰ্ত শোকাৰ্ত মহাৰাজ ৰাৱণো মূৰ্ছিত হৈ পৰিল।

মূৰ্ছাভংগ হোৱাৰ অন্তত চেতনা ঘূৰাই পোৱাৰ লগে লগে মহাৰাজ ৰাৱণে ভাবি থাকিল: আমাৰ স্বৰ্ণলংকা যে এইবাৰ নৰ আৰু বানৰ মিলি ছাৰখাৰ কৰিব—সেই কথাত তিলমানো সন্দেহ নাই। মোৰ ৰাজত্বৰ যে শেষ হ'ল—সিও ধ্ৰুৱ।

সীতাক প্ৰাপ্তিৰ আশাও বিলীন হ'ল। এইবাৰ মই মোৰ মৰমৰ ভাতৃ-কুম্ভকৰ্ণক বধ কৰাৰ ভয়ংকৰতম প্ৰতিশোধ ল'ম। যদি নৰাধম ৰামক মই বধিব পাৰোঁ, উত্তম; যদি বধিব নোৱাৰোঁ, নিজেই ৰণত প্ৰাণ আহুতি দিম।

ৰাৱণক শোকাৰ্ত-বেদনাৰ্ত হোৱা দেখি ত্ৰিশৰে ক'লে, "তুমি তিনিও লোকক পৰাজিত কৰিবলৈ সক্ষম। এতেকে—যদিও মৰ্মন্তুদ ঘটনা, তথাপি শোকত অধীৰ হোৱা তোমাক নোশোভে। মোক তুমি ৰণভূমিলৈ প্ৰেৰণ কৰাঁ, মই পাইকৰ বেটা গাই গোটা ৰাম নামৰ বাপেকে বনলৈ খেদি পঠোৱা নৰাধমটোক বধি সগৌৰৱে ৰণ-ভূমিৰপৰা উভতিম।"

এই কথা শুনি দেৱান্তক, নৰান্তক আৰু অতিকায়ও মহা উৎসাহেৰে তৎক্ষণাৎ যুদ্ধলৈ সাজু হ'ল।

ইহঁতৰ উৎসাহলৈ চাই বিমোহিত মহাৰাজ ৰাৱণে সকলোকে ৰণলৈ আগুৱান হ'বলৈ অনুমতি প্ৰদান কৰিলে আৰু ৰণত বিজয়ী হ'বলৈ আশীৰ্বাদ কৰিলে।

তাৰ পাছত আৰম্ভ হ'ল ৰাক্ষসে-বানৰে তয়া-ময়া যুঁজ। দুয়ো পক্ষৰ মাজত নাই ৰঙামাটি নাই গুৱাহাটীকৈ লাগি পৰিল। ৰাক্ষসবীৰ নৰান্তকে বানৰ-সৈন্যৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিলে। সুগ্ৰীৱে বানৰসৈন্যৰ মাজত নৰান্তক-ভীতিলৈ চাই নৰান্তকৰ অন্ত কৰাৰ বাবে অংগদক টানি ক'লে। তেতিয়া অংগদে বহু ধৰণে বহু সময় ধৰি চেষ্টা কৰি নৰান্তকক বধিলে।

নৰান্তকৰ মৃত্যুলৈ চাই ত্ৰিশৰ, মহোদৰ আৰু দেৱান্তক অংগদৰ ওপৰলৈ জঁপিয়াই পৰিল। অংগদে সাহসৰে সৈতে ৰাক্ষস বীৰহঁতৰ বিৰুদ্ধে যুঁজি থকালৈ চাই হনুমান তালৈ লৰৰি আহিল আৰু একেটা

ভুকুৰে দেৱান্তকৰ অন্ত কৰি পেলালে। একেদৰেই, অংগদক সহায় কৰিবলৈ প্ৰখ্যাত বানৰ বীৰযোদ্ধা নীল আগ বাঢ়ি আহিল, আৰু নীলে অতি সহজেই মহোদৰক মাৰি পেলালে।

ইপিনে—মহাপাৰ্শ্বৰ সৈতে ঋষভৰ মৰোঁ-জীওঁ যুঁজ আৰম্ভ হ'ল আৰু শেহান্তৰত ঋষভে ৰাক্ষসবীৰ মহাপাৰ্শ্বক বেয়াকৈ বধিলে।

মহাপাৰ্শ্বও যেতিয়া ৰণত পৰিল, তেতিয়া ভীত-সন্ত্ৰস্ত ৰাক্ষস-সৈন্যবিলাকে অস্ত্ৰ পৰিত্যাগ কৰি ৰণক্ষেত্ৰৰপৰা ৰাক্ষসবীৰজন গুচি গ'ল।

এইবোৰ ৰাক্ষস বীৰৰ মৃত্যু-সম্বাদ পাই এইবাৰ ৰাক্ষসবীৰ অতিকায় ৰণ-ভূমিলৈ অগ্ৰসৰ হ'ল।

সৰুসুৰা পাহাৰ এটিৰ নিচিনা দেহযুক্ত অতিকায়লৈ আঙুলিয়াই শ্ৰীৰামচন্দ্ৰই বিভীষণক লাহেকৈ সুধিলে, "বিভীষণ, এই তৎক্ষণাৎ সেই কোননো ?"

বিভীষণে ক'লে, "এওঁ হ'ল মহাৰাজ ৰাৱণৰ অন্যতম পত্নী—ধান্যমালিনীৰ পুত্ৰ। এওঁৰ নাম অতিকায়। প্ৰতাপ-পৰাক্ৰমত অতিকায় হ'ল ৰাৱণৰ তুল্য। তপস্যাত ব্ৰহ্মাক পৰিতুষ্ট কৰি অতিকায়ে ব্ৰহ্মাৰ-পৰা এই বৰ লাভ কৰিছে যে দেৱ-দানৱৰপৰা কোনো অনিষ্ট কদাপি নহ'ব। অতিকায়ৰ এই ৰথ আৰু কৱচো স্বয়ং ব্ৰহ্মায়েই তাক দিছিল। এই ৰথ আৰু কৱচৰ বলতে বলীয়ান হৈ অতিকায়ে বহু বাৰ বহুতো দেৱতা আৰু দানৱক পৰাজিত কৰিছিল আৰু ৰাক্ষসহঁতক নানান দুৰ্দৈৱৰপৰা ৰক্ষা কৰিছিল। অতিকায়ক অতি সত্বৰ বধ কৰিব নোৱাৰিলে বানৰসৈন্যৰ আগত মহাবিপদ উপস্থিত হ'ব—এই কথা প্ৰায় অভ্ৰান্ত বুলি ক'ব পাৰি।"

ইতিমধ্যেই—কুমুদ, দ্বিবিদ, মৈন্দ্য, নীল আৰু শৰভ নামৰ বানৰ-বীৰসকলে

অতিকায়ক আক্ৰমণ কৰিছিল, কিন্তু উক্ত বীৰবৃন্দই অতিকায়ৰ গাৰ নোম এডালিও পোনাব নোৱৰা হ'ল আৰু ৰাক্ষসবীৰ অতিকায়ৰ বাণেৰে বানৰ-বীৰবৃন্দহে বেয়াকৈ ঘাইল হ'ল।

তাৰ পাছত অতিকায় পোনে পোনেই ৰামচন্দ্ৰৰ সমুখলৈ গ'ল বৰঞ্চ অতিকায়ে ৰামচন্দ্ৰক সুধিলে, "মই কাপুৰুষবিলাকৰ সৈতে কদাপি যুদ্ধ নকৰোঁ, তোমালোকৰ মাজত প্ৰকৃত যুদ্ধপ্ৰিয় সাহসী পুৰুষ কোনোবা আছেনে?"

এই কথা শুনা মাত্ৰেই লক্ষ্মণৰ ফাই উঠিল, আৰু লক্ষ্মণ অতিকাৰ আগত ধনুৰে টংকাৰ কৰি থিয় হ'লহি।

লক্ষ্মণৰ আও-ভাও দেখি অতিকায়ে হাঁসি ক'লে, "হে লক্ষ্মণ! বয়সত তুমি মোতকৈ ঢেৰ সৰু। তোমাৰ মাজতনো কিমানখিনি পৰাক্ৰম সঞ্চিত হৈ আছে? কিহৰ সমলৰেনো তুমি মোৰ বিৰুদ্ধে ৰণ দিবলৈ আগুৱাই আহিছা? মৃত্যুৰ বাবে ইমান খৰখেদা লগাইছা কিয়?"

"যদি তোমাৰ এবম্বিধ বাহাদুৰী দেখুৱাৰ মন—মুখেৰে নহয়, প্ৰকৃত কাৰ্য্যেৰে কৰি দেখুৱাবা নিজৰ ঢোল নিজে পাছতো বাকৈ কোবাব পাৰিবা। এতিয়া মোৰে সৈতে এহাত যুঁজি চোৱা।" লক্ষ্মণে অতিকায়ক প্ৰকৃত যুদ্ধলৈ দৃঢ়তাৰে আহ্বান জনালে।

তাৰ পাছত দুয়োৰো মাজত বাণ-যুদ্ধ আৰম্ভ হ'ল।

লক্ষ্মণৰ বাণৰ আঘাতেৰে কিঞ্চিত জৰ্জৰিত হোৱাৰ পাছত অতিকায় লক্ষ্মণৰ শৌৰ্য্যৰ বিষয়ে সাৱধান হ'ল আৰু আত্ম-গৌৰৱৰ কাৰণে মৰি-মুজি যুঁজি থাকিল। এইবাৰ অতিকায়ৰ অস্ত্ৰই লক্ষ্মণক বেয়াকৈ ঘাইল কৰি থাকিল। লক্ষ্মণে তেতিয়াও যুঁজি আছিল, কিন্তু লক্ষ্মণৰ অস্ত্ৰই অতিকায়ক নিৰস্ত্ৰ কৰিব নোৱাৰিলে।

তেতিয়া, আন কোনো উপায়

নেদেখি লক্ষ্মণে অতিকায়ৰ বিৰুদ্ধে ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিলে, আৰু সহস্ৰ চেষ্টাতো অতিকায়ে সেই মাৰাত্মক ব্ৰহ্মাস্ত্ৰক একোপধ্যেই বাধা দিব নোৱাৰিলে। এইদৰে অতিকায়ৰ মৃত্যু হ'ল।

অতিকায়ৰ মৃত্যুৰ ফলত ৰাক্ষসকুল যেনিবা দিশহাৰা হৈ পৰিল। মহাৰাজ ৰাৱণক এইবাৰ যথাৰ্থভাবে বিচলিত তথা বিধ্বস্ত যেন লাগিল। একে একে প্ৰায় সকলো ৰাক্ষস বীৰেই সামান্য নৰ ৰাম-লক্ষ্মণৰ হাতত নিহত হ'ল। উল্লেখৰো অযোগ্য বান্দৰৰ হাততো ভালেমান ৰাক্ষসবীৰ মৰিল। নৰ আৰু বানৰৰ শক্তি-পৰাক্ৰমৰ উমান লওঁতে তেওঁ যি ভুল কৰিলে, এতিয়াহে তেওঁ সেই পৰ্বতসম ভুলৰ উমান ল'ব পাৰিলে।

পিতৃক দুখ-তপ্ত দেখি পুত্ৰ ইন্দ্ৰজিতে ক'লে, "মই যেতিয়ালৈকে জীয়াই আছোঁ, আপুনি চিন্তাৰ সাগৰত বুটিলেও হ'ব। মোৰ বাণৰ প্ৰহাৰ খাইও তিষ্ঠিব পৰা নৰ-বানৰৰ তো কথায়েই নাই, দেৱ-দানৱো নাই। এই ৰাম-লক্ষ্মণ বোলা দুটাৰ প্ৰাণ মই অচিৰেই সংহাৰ কৰিম। মই এতিয়াই—এই মুহূৰ্ততে ৰণভূমিলৈ ৰাওনা কৰিম!"

পিতাকৰপৰা অনুমতি গ্ৰহণান্তে গৰ্দভ-

চালিত ৰথোপৰি আৰূঢ় হৈ ইন্দ্ৰজিত ৰণভূমিলৈ আগুৱান হ'ল আৰু ইন্দ্ৰজিতৰ পিছে পিছে বহুসংখ্যক বীৰ ৰাক্ষসো গৈ বীৰবিক্ৰমৰে থাকিল।

ৰণভূমি পাই ইন্দ্ৰজিতে যজ্ঞ পাতিলে। নিজৰ অস্ত্ৰ শস্ত্ৰ, তথা ৰথাদিক মন্ত্ৰঃপূত কৰি ল'লে। আৰু তাৰ পাছত ৰথ, ৰথৰ সাৰথি আৰু মন্ত্ৰঃপূত অস্ত্ৰাদিৰে সৈতে পলকতে আকাশলৈ উৰিলে।

ৰণভূমিত থকা অন্যান্য ৰাক্ষসবীৰ-সকলে বীৰতাৰে বানৰসৈন্যৰ বিৰুদ্ধে প্ৰাণপণে যুদ্ধ কৰি থাকিল। ইন্দ্ৰজিতে মেঘৰ আঁৰৰপৰা ৰাক্ষস-সেনা সকলক

উৎসাহিত কৰি থাকিল। ইন্দ্ৰজিতে নিজেও শূন্যৰপৰা অস্ত্ৰ প্ৰয়োগ কৰি প্ৰচুৰ সংখ্যাত বানৰ ধ্বংস কৰি থকাৰ উপৰিও গন্ধমাদন, নল, মৈন্দ্ৰ, গজ, সুগ্ৰীৱ, ঋষভ, অংগদ, দ্বিবিদ আদিকো বেয়াকৈ ঘাইল কৰিলে। ইন্দ্ৰজিতে ক'ৰপৰা কেনেকৈ কি কৰিছে—একোৰেই কোনেও একোপধ্যে ঠাহৰ নোৱাৰিলে।

শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক ক'লে, ইন্দ্ৰজিতে অদৃশ্য হৈ যুদ্ধ কৰি আছে, আৰু তাৰ ফলত ইন্দ্ৰজিত অপ্ৰতিৰোধ্য হৈ উঠিছে। এটা কাম কৰা যাওক। আমি ইচ্ছা কৰিয়েই ইন্দ্ৰজিতৰ বাণেৰে মূৰ্ছিত হোৱাৰ ভাও জুৰিম। তেতিয়া—আমাৰ মৃত্যু হোৱা বুলি ভাবি ইন্দ্ৰজিত সদৰ্পে লংকাপুৰীলৈ গুচি যাবগৈ।"

শ্ৰীৰামচন্দ্ৰৰ কথা মতেই কাম হ'ল। ইন্দ্ৰজিতৰ বাণ-ৰাম-লক্ষ্মণে বুকু পাতি ল'লে আৰু তাৰ ফলত মূৰ্ছিত হৈ ভূমিলৈ বাগৰি পৰিল।

এই দৃশ্য দেখি লগে লগেই বিজয়-গৰ্বৰে স্ফীত হৈ সিংহনাদ কৰি ইন্দ্ৰজিত লংকাপুৰীলৈ বুলি ঢপলিয়াই গ'ল।

কিন্তু—মূৰ্ছিত হোৱাৰ ভাও দিবলৈ গৈ ৰাম-লক্ষ্মণ সঁচাসঁচিকৈ মূৰ্ছিত হৈ পৰিছিল।

তেতিয়া অশীতিপৰ বৃদ্ধ জাম্বৱন্তৰ পৰামৰ্শ অনুসাৰে বিশল্যকৰণী, মৃতসঞ্জীৱনী, সৌৱৰ্ণকৰণী আৰু সন্ধানকৰণী সমন্বিত ঔষধি পৰ্বতৰপৰা আনিবলৈ হনুমান অত্যুন্নত পৰ্বতশিখৰ কাঞ্চন আৰু কৈলাসলৈ বুলি মাৰিলে উৰা, আৰু ব্ৰহ্মকোশ, ইন্দ্ৰৰ তপোভূমি, ৰুদ্ৰবাণ, মোক্ষস্থান, হয়গ্ৰীৱ ক্ষেত্ৰ, ব্ৰহ্মকপাল, বজ্ৰদিশা, কুবেৰ স্থান, ব্ৰহ্মাসন আৰু শিৰধনু ক্ষেত্ৰত্ৰী অতিক্ৰমি পালেগৈ কৈলাস আৰু ঋষভ পৰ্বতৰ সীমাজত থকা সেই ঔষধি-পৰ্বতৰ চূড়া।

কালান্তক কাল

প্ৰাচীন কালত অসমত বজ্ৰধৰ নামৰ এজন সদাগৰ বাস-কৰিছিল। বজ্ৰধৰে বেহা-বেপাৰ কৰি ধনেৰে মঠ বান্ধিও মনত শান্তি পোৱা নাছিল আৰু চকুত টোপনিও নাছিল।

এদিন কথাই কথাই এই টোপনি নহাৰ কথাটো নগৰৰপৰা আহ সৰুকালৰ বন্ধু জয়নাথক কোৱাত জয়নাথে বজ্ৰধৰক ক'লে,"চোৱাঁ, মই যিমানকণ আয়-উপাৰ্জন কৰোঁ, তাৰে কহমপিহে চলিব পাৰোঁ। তথাপি—অপাৰ ধনো নাই অপাৰ চিন্তাও যে নাই, তাৰেই শান্তিৰে টোপনিয়াব পাৰোঁ।—তুমিও মনৰপৰা ধনৰ চিন্তা এৰি দিয়া — টোপনিয়ে তোমাৰ চকুৰপৰা নোযোৱাই হ'ব চাবা।"

এনেতে বাহিৰত ক'ৰবাত কিছুমান জন্তুৱে চিঞৰি উঠাত জয়নাথে বজ্ৰধৰক সুধিলে, "কিহৰ শব্দ উঠিছেনো?"

"নক'বা আৰু। পথাৰলৈ চৰাবলৈ লৈ যোৱা ভেড়াবোৰ আমাৰ ঘৰৰ কাষেদিয়েই সদায় লৈ যায়। এয়া সেই ভেড়াবোৰৰ চিঞঁৰ।" বজ্ৰধৰে ক'লে।

জয়নাথে ক'লে, "তেনেহ'লে—তুমি কাম এটা কৰা। তুমি তোমাৰ ঘৰৰ পিৰালিত বহি ভেড়াবোৰ গন্তি কৰি থাকা। লৈ যাওঁতেও গন্তি কৰিবা, লৈ আহোঁতেও। এনেকৈ কামৰ নামত আকামবোৰ কৰি থকাত যি আমনি পাবা —তাৰেই তোমাৰ টোপনিৰ দৰব পাই যাবা। মই কিছুদিনৰ পাছত তোমাৰ খবৰ ল'মহি।"

পোন্ধৰ দিনৰ অন্তত জয়নাথ পুনৰ

ললিত লাহন

আহিল বজ্ৰধৰৰ ঘৰলৈ। বজ্ৰধৰ তেতিয়াও আমন-জিমন হৈ বহি আছিল।

জয়নাথে সুধিলে, "কি খবৰ, বজ্ৰধৰ? মোৰ পৰামৰ্শেৰে কোনো কাম হোৱা নাই যেন লাগিছে? টোপনি—"

"টোপনি?" জয়নাথৰ এই কথাখিনি নৌশেষ হওঁতেই বজ্ৰধৰে কৈ উঠিল, "মোৰ ভাগ্যত টোপনিৰ নাম-গোন্ধো নাই। পিছে— তোমাৰ পৰামৰ্শমতে মই ঘৰৰ পিৰালিত বহি ভেড়াবোৰ গন্তি নকৰাকৈ থকা নাই—কৰিছিলোঁ। কিন্তু—মোৰ মনত গন্তিৰ বিষয়ে সন্দেহ হোৱাত মই চৰণীয়া পথাৰলৈকো গৈ গন্তি কৰিছিলোঁ। কথা আচৰিতেই, ইয়াত এহেজাৰ ভেড়া আছে।"

"এ—হেজাৰ ভেড়া!" জয়নাথে কৈ উঠিল, "এহেজাৰ ভেড়া আছে! ঠিক ঠিককৈ গন্তি কৰিছিলানে তুমি? কিন্তু— এনেকুৱা এক অলাগতিয়াল কামত তুমি ইমান সাৱধান হৈছিলানো কিয়?"

বজ্ৰধৰে ক'লে, "কথা হ'ল—গন্তি কৰাত ভুল হ'লে। গোটেইখিনি হিচাপতে ভুল হৈ নাযাব জানো? এহেজাৰ ভেড়াৰপৰা চাৰি সেৰকৈ উন পোৱা যায়—সেইখিনি উনৰপৰা কমেও—"

জয়নাথে হাঁহি উঠি ক'লে, "হাৰে! মই তোমাক ভেড়াবোৰ গন্তি কৰিবলৈহে কৈছিলোঁ, সেইবোৰৰপৰা কিমান লাভ কিমান লোকচান তাৰ হিচাপ ল'বলৈ কৈছিলোঁনে বাৰু?"

"জয়নাথ, ইয়াত যে উনী কাপোৰ বোৱা-কটা কৰা মানুহ ঢেৰ আছে, জানাই নহয়? এইখিনি উনেৰে সিহঁতে কমেও দুহেজাৰ গজ—উনী কাপোৰ বৈ উলিয়াব। গজেপ্ৰতি দুই মোহৰকৈ দাম পাওঁ যদি—"

"তোমাৰ চকুৰপৰা টোপনিয়ে তৎক্ষণাৎ মেলানি মাগিব। বুইছা?" জয়নাথে কৈ উঠিল, "তুমি যদি এনেকৈ ভেড়া, ভেড়াৰ নোম, উনী কাপোৰ

তুহেজাৰ গজ—ইত্যাদি কথাতে মূৰ ঘমাই থাকা—টোপনিয়ে তোমাৰ চকুত বাহ ল'বনো কেতিয়া বাৰু— ?"

জয়নাথৰ কথাৰ মাজত থকা হুলে এইবাৰ বজ্ৰধৰক বাৰুকৈ বিন্ধিলে আৰু জয়নাথক আন একো নৌ ক'বলৈ পাওঁতেই হাত দাঙি জয়নাথক ৰখাই বজ্ৰধৰে কিবা ক'বলৈ মুখখন মেলোঁতেই জয়নাথেই কৈ উঠিল, "চোৱা, বজ্ৰধৰ —তোমাৰ ঘৰৰ কাষেদি যোৱা-অহা কৰা ভেড়াবোৰ, বা সেইবোৰ ভেড়াৰ গাৰ নোমবোৰ তোমাৰ নহয়, আৰু তুমি নিজেও উনী কাপোৰৰ বেপাৰী নহয়। তোমাৰ চকুত পৰা ওচৰ-পাঁজৰৰ সকলো বয়-বস্তুলৈ বেপেৰুৱাৰ দৃষ্টিৰে নাচাবা, বা যিহকে ভাবিবা — যিহকে চিন্তিবা— তাৰেপৰাই লাভৰ কথা ভাবি নাথাকিবা, কেৱল ধন উপাৰ্জনৰ কথাকে ভাবি নাথাকিবা। সদায় সকলো কথাতে লাভৰ কথা চিন্তি থাকিলে, মকৰা-হিচাপ কৰি থাকিলে কেনেকৈনো তুমি শান্তিৰে টোপনিয়াবা ? তোমাৰ মনৰ এনে দুৰ্দশাৰ কথা মই সিদিনাই ঠাৱৰ কৰিব পাৰিছিলোঁ, আৰু সেইহে তোমাক ভেড়াবোৰ—কেৱল গন্তি কৰি থকাবিধৰ আমনিলগা কামকে কৰিবলৈ পৰামৰ্শ দিছিলোঁ। তোমাৰ মনটোক বেহা-বেপাৰৰপৰা আঁতৰ কৰিবলৈ চেষ্টা কৰি

চালোঁ. কিন্তু মই তোমাৰ বেপেকৰা মনৰ কোনো পৰিৰৰ্তন কৰিব নোৱাৰিলোঁ। সদা-সৰ্বক্ষণ সকলো কথাতে যদি লাভৰ কথা চিন্তা কৰি থাকা—কেনেকৈনো তোমাৰ মন শান্ত হ'ব ? এতিয়া মই বুজি পালোঁ—একোপধ্যে তোমাৰ মনত শান্তি দিব নোৱাৰিম। মই ব্যৰ্থ। অৰ্থয়েই তোমাৰ চকুৰ নিদ্ৰা হৰিলে, মনৰ শান্তিক কাঢ়ি নিলে।"

"নহয়, জয়নাথ — তোমাৰ ধাৰণা সম্পূৰ্ণ সঁচা নহয়। তুমি ব্যৰ্থ হোৱা নাই। তুমি মোৰ সমস্যাৰ সমাধান—দৰাচলতে কৰি পেলালাই। মনৰ অতৃপ্তি আৰু নিদ্ৰাজনিত শান্তিৰ মাজত থকা সম্বন্ধ—মই এতিয়া কিছুখিনিলৈকে বুজি পাইছোঁ, অন্তৰেৰে অনুভৱ কৰিব পাৰিছোঁ। মোৰ অনিদ্ৰাৰ ঔষধ যে কি—তাক—মই তোমাৰ অনুগ্ৰহত বঢ়িয়াকৈয়েই উপলব্ধি কৰিছোঁ। আৰু — এই উপলব্ধি—তুমি মোক কোৱাৰ আগতেই—নিজেই নিজেই কৰিব পাৰিছোঁ।" বজ্ৰধৰে উৎফুল্লভাবে জয়নাথক ক'লে।

"নিদ্ৰাৰ সেই ঔষধ—টোপনিৰ সেই দৰবনো কি?" জয়নাথে মিচকি-মাচাককৈ হাঁহি হাঁহি বজ্ৰধৰক সুধিলে।

"মই আজিয়েই মোৰ বেহা-বেপাৰ মোৰ ল'ৰাটোক চোৱাচিতা কৰিবলৈ ক'ম—বেহা-বেপাৰ তাকেই চলাই থাকিবলৈ ক'ম। তেতিয়া মই নিৰ্ভাৱনাৰে তোমাৰ দৰে বন্ধু সকলৰ লগ লাগি নিঃচিন্তে জীৱন যাপন কৰি থাকিব পাৰিম। মোৰ মতে—এয়ে হ'ল মোৰ টোপনিৰ দৰব।" এই বুলি কৈ, বজ্ৰধৰে জয়নাথক আঁকোৱালি ল'লে, পুনৰ ক'লে, "আগৰ দিনত বুঢ়া হ'লে মোহমুক্ত হৈ বাণপ্ৰস্থ অৱলম্বন কৰিছিল যে—সেয়ে আছিল ভাল। এতিয়া বুজিছোঁ—বেপেকৰা চিন্তায়েই হৈ উঠিছিল মোৰ কালান্তক কাল।"

শেষ বিচাৰ

কোনোবা এখন গাঁৱত এজন মহাদুষ্ট জমিদাৰ আছিল। এইখন গাঁৱৰ ওচৰত আছিল এক অটব্য হাবি। এই হাবিৰ কাষদি যোৱা বাটৰুৱাইঁত প্ৰায়েই আক্ৰান্ত হৈছিল, আৰু ডকাইতে বাটৰুৱাইঁতৰপৰা যথাসৰ্বস্ব কাঢ়ি লৈছিল। কিন্তু এই ডকাইতবোৰ আছিল জমিদাৰৰে অনুচৰ।

এদিন এগৰাকী বৃদ্ধ ব্ৰাহ্মণপণ্ডিত সেই বাটেৰে ৰংমনে গৈ থাকোঁতে তেওঁকো ডাকাইত এটাই পাকড়াও কৰিলে। বৃদ্ধ ব্ৰাহ্মণক দেশৰ ৰজাই তেওঁৰ পাণ্ডিত্যৰ কাৰণে ধনে-মানে পুৰস্কৃত কৰিছিল। ডাকাইতটোৱে বৃদ্ধ ব্ৰাহ্মণ পণ্ডিতক হত্যা কৰি ধনখিনি কাঢ়ি ল'লে।

জমিদাৰৰ অনুচৰহঁতে বৃদ্ধ ব্ৰাহ্মণ পণ্ডিতৰ মৃতদেহ হাবিৰ সোঁমাজলৈ লৈ গ'ল আৰু তাত এঠাইত পুতি থ'লে।

সেই মৃত ব্ৰাহ্মণ পণ্ডিতৰ এজন পুত্ৰ আছিল; সেই পুত্ৰৰো এটি দহবছৰীয়া পুত্ৰ আছিল, অৰ্থাৎ সেই ল'ৰাটি আছিল বৃদ্ধ ব্ৰাহ্মণপণ্ডিতৰ নাতিয়েক। সেই হাবিৰ কাষেদি এই দহ বছৰীয়া ল'ৰাটি প্ৰতিদিন টোললৈ গৈছিল।

এদিন ল'ৰাটি টোললৈ গৈ থাকোঁতে ল'ৰাটিয়ে হাবিৰ কাষত এজন বৃদ্ধ ব্ৰাহ্মণক দেখা পালে। ব্ৰাহ্মণজনে ল'ৰাটিক ক'লে, "বোপা, মোৰে সৈতে ব'লা।"

ব্ৰাহ্মণে মাটি খান্দি পিতলৰ ডাঙৰ পাত্ৰ এটা উলিয়াই আনি ল'ৰাটোক দিলে আৰু ক'লে, "বোপাটি, এই পিতলৰ পাত্ৰৰ ভিতৰত সোণৰ মোহৰ আছে। পাত্ৰটো সাৱধানতাৰে লৈ যাবা। তুমি যেতিয়া

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



জংগল পাৰ হৈ গাঁও পাবাগৈ, তেতিয়া সাঁজ লাগি ভাগিব। ৰাতিছোঁৱা কৈ-মেলি গাঁৱৰ জমিদাৰৰ ঘৰতে থাকিবা আৰু ৰাতিপুৱা ঘৰলৈ যাবা। —মই কোৱা মতে কৰিলে—তোমালোকৰ ভাল হ'ব।"

ল'ৰাটোৱে কাপোৰেৰে বন্ধা সোণৰ মোহৰ থকা পিতলৰ পাত্ৰটো লৈ গৈ গৈ সাঁজ লাগি ভগাত গাঁও পালেগৈ। তেতিয়া সি সেই বৃদ্ধ ব্ৰাহ্মণৰ কথা মতে গাঁৱৰ জমিদাৰৰ ঘৰলৈ গ'ল আৰু তাত ৰাতিটোৰ বাবে আশ্ৰয় প্ৰাৰ্থনা কৰিলে। জমিদাৰে ল'ৰাটোক থকাৰ বন্দৱস্ত কৰি দিলে।

ল'ৰাটোৱে যেতিয়া টোপনিত লাল-কাল দিলে, তেতিয়া জমিদাৰে ল'ৰাটোৰ পিতলৰ পাত্ৰটো খুলি সোণৰ মোহৰখিনি লৈ গ'ল আৰু পাত্ৰটো পুনৰ কাপোৰেৰে আগ দৰেই বান্ধি থৈ দিলে।

ৰাতি পুৱাল। ল'ৰাটোৱে সাৰ পাই পিতলৰ পাত্ৰটো খুলি চালে। পাত্ৰটোৰ ভিতৰত সোণৰ মোহৰ এটাও নাই!

তেতিয়া সৰু ল'ৰাটোৱে জমিদাৰক ক'লেগৈ: "মালিক, মোৰ এই পাত্ৰত সোণৰ মোহৰ আছিল, কিন্তু এতিয়া দেখোন এটাও নাই। কোনেনো মোৰ সোণৰ মোহৰখিনি চুৰ কৰিলে?"

জমিদাৰে দমদমাই উঠি ক'লে, "কিবোৰ বলকিছ ঐ ল'ৰা—? মইহেনে তোৰ সোণৰ মোহৰ চুৰ কৰিলোঁ? ৰঃ, এই কথা কোৱাৰ কাৰণে তোকেই মই ফাঁচিৰ জৰীত ওলোমাই দিম—চাই থাক।"

তাৰ পাছত জমিদাৰে গাঁৱত মুখাফুটা-ভুঞাফুটা কেইজনমানক মতাই অনালে। এইবোৰ আছিল জমিদাৰৰে পাত-চেলেকা লেমটৌ, জমিদাৰৰ যেইকোনো কথাতে 'হয়' কৰা 'হোৱা' দিয়াবিধৰ।

জমিদাৰে এই 'দুষ্টৰো দুষ্ট মহা অশিষ্ট' ল'ৰাটোৰ কথা সেই মুখাফুটা-ভুঞাফুটা লেমটৌবিলাকক কোৱাৰ অন্তত সুধিলে, "তাক মই ফাঁচি দিলে কিবা অনিয়ায়

হ'বনে ? আপোনালোকৰ মত কি ?"

লেমটৌবিলাকে একেলগে শিয়ালৰ দৰে হোৱা দিলে, "ক'ব লাগিছেনে আৰু ? ইয়াক পুলিতেই পুতি পেলাব লাগে নহ'লে গজিলেই সমাজৰ বিপদ !"

বছ, সেই দিনাই আবেলি পৰতে ল'ৰাটোক জমিদাৰৰ বোপা-ককাৰ আমোলৰ বধ্যভূমিলৈ লৈ যোৱা হ'ল। হাজাৰ-বিজাৰ মানুহ গোট খালেহি সৰু ল'ৰাৰ ফাঁচিৰ দৃশ্য চাবলৈ। তাত স্বয়ং জমিদাৰও উপস্থিত আছিল।

ল'ৰাটোক ফাঁচিৰ জৰীত ওলোমেৱা হ'বৰ হওঁতেই ভিৰ ফালি বুঢ়া মানুহ এজন জমিদাৰৰ ওচৰলৈ আহিল আৰু সুধিলে, "ইমান সৰু ল'ৰা এটিয়ে কিনো ইমান জগৰ লগালে যে—তাক ফাঁচি—"

"কোনহে তুমি আলেকৰ পালেকটো আহিছা ? এই কথা সুধিবলৈ তুমি কোন ?" জমিদাৰে গুজৰি উঠি সুধিলে।

"মই এই ল'ৰাটোৰ ককাৰ।"

"বেছ—বেছ, শুনা—তেন্তে। দুষ্টবো দুষ্ট ল'ৰাটোৱে মোকেই মোহৰ-চোৰ বুলি কৈছে। সেই অপৰাধতে—"

"ভাল, পিছে—আপুনি যে সঁচাসঁচিকৈ তাৰ সোণৰ মোহৰবোৰ চুৰি কৰা নাছিল সেই কথাৰ প্ৰমাণস্বৰূপে কওক যে—আপুনি যদি চোৰ, তেনে'হলে ব্ৰহ্মদৈত্যই আপোনাক ধৰি লৈ যাওক।"

জমিদাৰে বাধ্যত পৰি বৃদ্ধ ব্ৰাহ্মণৰ কথা মতে সেইখিনি কথা ক'লে, "যদি মই এই ল'ৰাটোৰ সোণৰ মোহৰ চুৰি কৰিছিলোঁ, তেনেহ'লে মোক ব্ৰহ্মদৈত্যই ধৰি লৈ যাওক।"

পাছ মুহূৰ্ততে সেই বৃদ্ধ ব্ৰাহ্মণে জমিদাৰ চুলিকোচাত ধৰি দাঙি লৈ আকাশলৈ উৰি নিমিষতে নোহোৱা হৈ গ'ল। জমিদাৰৰ কি হ'ল—কোনেও ক'ব নোৱাৰিলে।





মনৰ দুখীয়া

বিৰামপুৰ গাঁৱত জানকী নামৰ এগৰাকী বিধৱা মহিলা আছিল। জানকীৰ আৰ্থিক অৱস্থা ভালেই আছিল। তেওঁৰ আছিল দুজন ল'ৰা আৰু এজনী ছোৱালী। স্বামীৰ মৃত্যুৰ পাছত তেওঁ নিজেই ল'ৰা-ছোৱালীহঁতক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল, আৰু পাছত ল'ৰা-ছোৱালীবিলাকৰ বিয়াও পাতি দিছিল।

জানকীৰ ডাঙৰ ল'ৰাটোৰ দুটি ল'ৰা, সৰু ল'ৰাটোৰ এটি ল'ৰা আৰু এজনী ছোৱালী, আৰু ছোৱালজনীৰ এজনী ছোৱালী। এই নাতি-নাতনীয়েকহঁতক জানকীয়ে আনকি নিজৰ সন্তানহঁততকৈও ভাল পাই পেলাইছিল।

নাতি-নাতনীহঁত ডাঙৰ হ'ল, আৰু তেতিয়া সিহঁতৰ মাক-দেউতাকে সিহঁতৰ পঢ়া-লিখাৰ কথাত চিন্তাত পৰা হ'ল।

কথাটো ঠাৱৰ কৰিব পাৰি জানকীয়ে তেওঁৰ ল'ৰা দুজনক ক'লে, "ইয়াত—গাঁৱৰ মাটি-বাৰী তহঁতে চম্ভালি থাক। মই ইহঁতক চহৰলৈ লৈ যাওঁ আৰু তাতে থাকি ভাল ভাল পঢ়াশালিত লিখা-পঢ়া শিকাওঁগৈ। ঘৰ এটা ভাড়ালৈ লৈ থাকিম, দীঘলীয়া ছুটিয়ে-বন্ধে গাঁৱলৈ আহিম।"

তাৰ পাছত জানকীয়ে নাতি-নাতিনীয়েকহঁতক লৈ চহৰলৈ গ'ল আৰু সিহঁতৰ নাম পঢ়াশালিত লগাই দিলে।

কিছুদিনৰ অন্তত জানকীৰ জী-জোঁৱায়েক আৰু সিহঁতহালৰ একমাত্ৰ ছোৱালীজনীয়ে ক'লেহি, "মা, ককাই-দেউহঁতৰ ল'ৰা-ছোৱালীবিলাকক তুমি যিদৰে পঢ়াইছা-শিকাইছা, আমাৰজনীকো

ৰেছমী শইকীয়া

সেইদৰে পঢ়াব-শিকাব পাৰিবানে? এই বিষয়ে তোমাৰপৰা সহায়ৰ আশা কৰিহে আমি আহিলোঁ।”

তাইৰ কথাত জানকী মান্তি-হ'ল।

আৰু—কিছুদিনৰ পাছত অন্যান্য নাতি-নাতনীয়েকহঁতে সিহঁতৰ আইতাকৰ মাজত পক্ষপাতিতাৰ আভাস দেখা পাই বেয়া পোৱা হ'ল। আইতাকে তেওঁৰ ছোৱালীৰ ঘৰৰ নাতিনীয়েক ৰমলাজনীক এখুতুৰা মাছ বা দৈ বা গাখীৰ সিহঁতক দিয়াৰ তুলনাত অলপ বেছিকৈ দিয়ে। তাই ৰমলাই যিহকে নোখোজক, আইতাকে 'নাই' বুলি নকয়। কিন্তু—সিহঁতৰ বেলিকা আইতাক ঠিক তেনেকুৱা নহয়।

সিহঁতে আইতাকৰ এনে পক্ষপাতিতালৈ মন কৰিছিল, যদিও মুখেৰে কেতিয়াও একো কোৱা নাছিল।

ব্যতিক্রম আছিল কেৱল বিবেক। জানকীৰ ডাঙৰ ল'ৰাৰ ডাঙৰ পুতেক বিবেকে এই কথাত আইতাকৰ কোনো দোষ-ক্রুটি দেখা নাছিল।

পূজাৰ বন্ধত সকলোটি গাঁৱৰ ঘৰলৈ আহিল। বিবেকৰ বাহিৰে আন ল'ৰা-ছোৱালীবোৰে সিহঁতৰ মাকক আইতাকৰ পক্ষপাতি তাৰ বিষয়ে বহলায়েই ক'লে।

শুনি, বোৱাৰী দুজনীয়ে পৰস্পৰৰ সৈতে আলোচনা কৰি এই কথা স্থিৰ কৰিলে যে—কথাটো শাহুৱেকক সোধাটোৱেই

ভাল। কিন্তু পোনে পোনেই শাহুরেকক সোধাৰ আগতে বোৱাৰীহঁতে বিবেকক কথাটো সুধিলে।

বিবেকে ক'লে, "আইতাকৰ মাজত মই কোনো ধৰণৰ পক্ষপাতিতা দেখা নাই। তেওঁ ৰমলাক হয়তো ইটো-সিটো অলপ বেছিকৈ দিয়ে—কিন্তু সেইবোৰ তেওঁ লুকাই-চুৰকৈ নিদিয়ে।"

"কিন্তু—কিয় দিব তাইক বেছিকৈ? তেওঁৰ ওচৰত—তোমালোকও যি তায়ো সি। আৰুনো কি? যদিহে তেওঁ তাইক কিবাকিবি বেছিকৈ দিয়ে — তাক পক্ষপাতিতা বুলিবই লাগিব।"

বিবেকে মূৰ জোকাৰি জোকাৰি ক'লে, "ওহোঁ, মা, সেই কথা ঠিক নহয়। তুমি ভাবি চোৱা, আমি হ'লোঁ আইতাকৰ একেবাৰে নিজৰ ঘৰৰ। কিন্তু ৰমলাহঁত—আনৰ ঘৰৰ যে—সেইকথা শুনাত কেনেবা যেন লাগিলেও সঁচা। গতিকে—তাইৰ প্ৰতি যদি আমাতকৈ মৰম সামান্য বেছিকৈ দেখুৱায় তেওঁ—তাক পক্ষপাতিতা বুলি ক'ব নোৱাৰি।"

ঠিক তেতিয়াই জানকী তালৈ আহিল আৰু তেওঁ তেওঁৰ বোৱাৰীয়েক দুজনীক ক'লে, "বিবেক বয়সত সৰু, কিন্তু মোৰ পক্ষ-পাতিতাৰ মুল্যায়ন সি সঠিকভাবেই কৰিলে। ঠিক আছে, এই সমস্যাৰ সমাধান অতি সহজেই হৈ যাব। আমি তো ধনৰ দুখীয়া নহয়, মনৰহে দুখীয়া। গতিকে—এই সমস্যাৰ সমাধান কিঞ্চিতমান ধনেৰেই হৈ যাব। আগলৈ — যাতে ইহঁত আটাইবোৰেই সকলো বস্তু সমানকৈ পায় —তাৰ বন্দৱস্ত কৰিম মই।"

শাহুৰেকৰ পৰা এইহেন উত্তৰ পাই বোৱাৰীয়েকহঁতৰ খং-ৰাগ তৎক্ষণাৎ পানী হৈ গ'ল আৰু শাহুৰেকৰ প্ৰতি কটু-কটুৰ মন্তব্য কৰাৰ বাবে লাজ পাই দুয়োজনীয়েই নিমাত হ'ল।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

‘ৰণপোত’

এই ৰণপোতে ৰণশিঙাও নবজায় ৰণ-জেউতিও নলগায়। এই ‘ৰণপোত’ হ’ল পৰ্টুগালৰ এক সামুদ্ৰিক প্ৰাণী। ই দীঘলে ৩০ আৰু বহলে ১৫ ছেন্‌টিমিটাৰ। ইয়াৰ জঁ সৰুসুৰা নাৱৰ পালৰ দৰে। ১৮ শতিকাত পৰ্টুগিজ নাবিকইতেৰ সাগৰত এই প্ৰাণী আৱিষ্কাৰ কৰিছিল, যিবোৰ দেখাত আছিল তেতিয়াৰ দিনৰ পৰ্টুগিজ যুদ্ধ-জাহাজৰ দৰে। এইদৰে এইবিধ প্ৰাণীৰ নাম হ’ল—‘ৰণপোত’। সাগৰৰ পানীৰ ওপৰত মাত্ৰ ইয়াৰ ‘জঁ’টোহে পৰিলক্ষিত হয়, কিন্তু পানীৰ তলত ইয়াৰ অসংখ্য সৰু সৰু ঠেং ওলমি থাকে। এই ঠেং-বিলাকত লাগি থাকে প্ৰচুৰ সামুদ্ৰিক মাছ-কাছ জাতীয় প্ৰাণী যিবোৰ হ’ল ‘ৰণপোত’ৰ আহাৰ!

কাফ্‌ফাৰপৰা কাফি!

আফ্ৰিকা মহাদেশৰ এথিঅ’পিয়াৰ অন্যতম এক অঞ্চলৰ নাম হ’ল কাফ ফা। ইয়াত ছাগলীচৰাওঁতা এজনে এদিন এটা কথালৈ মন কৰিলে যে—হাবি-বনৰ এক বিশেষ ধৰণৰ গছৰ গুটি অৰ্থাৎ ফল খোৱাৰ পাছত ঘোঁৰাৰ দৰে জঁপিয়াজঁপি কৰা হৈছে। কথা কি—পৰীক্ষা কৰি চাবলৈ সি চৰাওঁতাই সেই গছৰ গুটি খালে, আৰু খোৱাৰ কিছু সময়ৰ পাছত বেচ তজবজ্জা অনুভৱ কৰি এগৰাকী পাদুৰীকো সেই গুটি দিলে। পাদুৰীয়ে কাফ্‌ফা অঞ্চলৰ-পৰা পোৱা গুটিক কাফি বা কফি বুলি কোৱা হৈছিল।

বীবৰৰ ব্ৰহ্মাস্ত্ৰ!

বীবৰ নামৰ উভচৰ জন্তুৱে সিহঁতৰ জোঙা জোঙা দাঁতেৰে গছ-গছনিবোৰ কাটি টুকুৰা কৰি সৰু সৰু জান-জুৰিৰ ওপৰত দলং পাতি দিয়ে বা মথাউৰি সাজে। এইবোৰ দলঙৰ সুবিধা পাই তালৈ যদি আন জন্তুবোৰে অহা-যোৱা কৰা হয়, তেতিয়া বীবৰে তাৰ শকত আকাৰৰ নেজেৰে পানীত জোৰে জোৰে অন্য বীবৰক তালৈ অহাৰ বিপদৰ বিষয়ে সাৱধান কৰি দিয়ে আৰু অন্যান্য বীবৰে বহুদূৰৰপৰা সেই ব্ৰহ্মাস্ত্ৰৰূপী শব্দ শুনি দলঙৰ ওপৰেদি অহা-যোৱা পৰিহাৰ কৰি নৈৰ পানী সাঁতুৰি পাৰ হয়।

Don't you owe the
See my tail It's out of a Fairy Tale
Nice 'n' funny I'm a Bunny
Foxy is my name But I'm oh-so tame
Your Bear Hugs are warmer than mine


little one a cuddles?
I can't chase no mice But I'm soft 'n' nice
Give the Li'l Panda a Handa
No carrots to eat But I'm a treat
hug me tight
I'll give you
The
CHANDAMAMA
Collection of Soft Toys
CHANDAMAMA TOYTRONIX

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ ডিছেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব ।



M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে মিল থাকিব লাগিব। ১৯৯২ চনৰ অকট'বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯২ চনৰ অগাস্ট মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মাউতৰ মৰম হাতী দ্বিতীয় ফটো : ভন্টিৰ মৰম ভাইটী

মিতুল পাতৰ, গাঁও (M) ৪০, ইউনিট-৪, গুৱাহাটী-৬

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৰা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

CHANDAMAMA
(Assamese)
October 1992
Regd.No. TN/MS (S)/87

Gautam Goswami (10.10.92)